চান্দমামা

মার্চ ১৯৯২




LUXOR SUPER OFFER
FREE!
LUXOR COLOUR FUN BOOKS
BAMBI COLOUR FUN
Colour Fun
FUNSET
Buy
ANY OF THESE 4 DISNEY PEN SETS AND GET AN EXCITING LUXOR COLOUR FUN BOOK
ENTER THE MAGIC WORLD OF LUXOR COLOUR. ENTER THE WORLD OF EXCITEMENT.
Luxor®
Everyday, India writes the Luxor way.
Luxor Pen Company, 5631, First Floor, Qutab Road, New Delhi-110055, Tel.: 514885, Cable: HITECPEN.
CLARION D 4288

মৰমৰ অকণিহঁত!
তোমালোকে বাৰু জনী
জ'কাৰক নচুৱাব পাৰানে?
হয়, পাৰো!
কৰেচ-প্ৰিট
পাৰাৰৰ সহায়ত।
দেখি ভাল লগা
আটকধুনীয়া!
পৰিষ্কাৰ আৰু লেঠা নাইকিয়া!
কৰেচ প্ৰিট গ্লু ষ্টিক'এৰে কাম
কৰাৰ আনন্দ লোৱাঁ। অতিকে
সহজ, পৰিষ্কাৰ আৰু খৰটকীয়া।
পনীয়া গমৰ দৰে লেঠা নবঢ়ায়।
কৰেচ প্ৰিট গ্লু ষ্টিক আৰু ৰংচঙীয়া
কাগজেৰে ধুনীয়া ধুনীয়া বস্তু সাজাঁ। স্কুলৰ
কামৰ বাবে, আন শিল্পৰ বাবে, মা-দেউতা
আৰু বন্ধু-বান্ধৱক উপহাৰ দিবলৈও।
দুটা চাইজত পোৱা যায়:
18 গ্ৰাম আৰু 9 গ্ৰাম মুঠ
বিপণন:
কৰেচ
Pritt
SUPER
Glue
Stick
Kores
AKA/481/AS
বিনামূল্যে! জনী জ'কাৰ সজাৰ কৌশল: আজিয়েই লিখক; 1 টকাৰ টিকট লগোৱা নিজৰ ঠিকনা থকা লেফাফা এখনো লগতে দিয়ক। এই ঠিকনালৈ: কৰেচ (ইণ্ডিয়া) লিমিটেড, পোঃ বঃ নং 6558, ৱৰ্লি, বম্বে 400 018

Don't you owe the
See my tail It's out of a Fairy Tale
Nice 'n' funny I'm a Bunny
Foxy is my name But I'm oh-so tame
Your Bear Hugs are warmer than mine


little one a cuddles?
I can't chase no mice But I'm soft 'n' nice
Give the Li'l Panda a Handa
No carrots to eat But I'm a treat
u bug me tight w I'll give you ride
The CHANDAMAMA Collection of Soft Toys
CHANDAMAMA TOYTRONIX

চান্দমামা

*

মাৰ্চ্চ ১৯৯২

এই * আছে

সংখ্যাত

*

নেহৰু বঁটা	:	৯	চান্দমামা-ক্রোড়পত্র	:	৩৩
বুদ্ধিৰ দোকান	:	১১	সাহেই সিদ্ধি	:	৩৭
সাহস	:	১৬	খেচাৰত	:	৪২
অপূৰ্ব-কাহিনী	:	১৭	বীৰ হনুমান	:	৪৫
খাছ	:	২৪	প্ৰশ্নৰ পেঁচ	:	৫৩
নিয়ম-অনিয়ম	:	২৫	বগাহাতীৰ বঢ়া-কথা	:	৬০
পানীৰ ঔ	:	৩২	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

ঈশ্বৰৰ কাষ চপাৰ পথ

ঈশ্বৰে তেওঁৰ প্ৰতিমূৰ্তিৰে মানৱক স্ৰজিলে—আমাৰ শাস্ত্ৰই আমাক এই কথা কয়। দাৰ্শনিক, বৈজ্ঞানিক আদিৰো এই মানৱৰ স্ৰজন এক পৰম বিস্ময়। আমাৰ দেহৰ অংগ-প্ৰত্যংগসমূহৰ মাজত এটাৰো ইফাল-সিফাল হোৱাহেঁতেন আমাৰ কেনে দুৰ্গতি-বিগতি হ'লহেঁতেন সেই কথা সহজবোধ্য। বিশেষকৈ মস্তিষ্কৰ মগজুৰ কথা। মগজুৰ ক্ৰিয়া-কৰ্ম আজিও ৰহস্যময় আৱৰণেৰে আচ্ছাদিত।

মানৱ ঈশ্বৰৰ প্ৰতিমূৰ্তি নোহোৱাহেঁতেন অৱস্থা কি হ'লহেঁতেন? বঙ্গৰ বিশিষ্ট সাংবাদিক এগৰাকীয়ে কৈছিল: সদগুণেই হ'ল ঈশ্বৰ। সদ্‌গুণ য'ত ঈশ্বৰো তাতেই।

সদগুণ আয়ত্ত কৰাৰ বাবে শিশুকালত মাতৃ-পিতৃ, তাৰ পাছত শিক্ষক, পুস্তক আৰু বন্ধু-বান্ধৱ, আৰু সদোপৰি সমাজেও বৰঙনি যোগায়। যি কি নহওক, সদ্‌গুণৰ কথাতো ৰহস্যময়তা বিদ্যমান। সদগুণৰ সীমা নাই। যেনে—উল্লম্ফন-বীৰ ছাৰ্জেই বুবকাৰ কথাকে ধৰা যাওক। তেওঁ উল্লম্ফনত সদায় নিজৰ ৰেকৰ্ড নিজেই ভংগ কৰিছে। তথাপি তেওঁ আৰু অধিক শ্ৰেষ্ঠত্বৰ বাবে চেষ্টা কৰিছে। সদগুণো তেনেকুৱা, ইয়াৰ কোনো সীমা নাই, অধিকতকৈও অধিক সদ্‌গুণ আয়ত্ত কৰি কৰি ঈশ্বৰৰ অধিক ওচৰ চাপিব পাৰি। স্বামী বিবেকানন্দই কৈছিল, "চেষ্টা, চেষ্টা, কেৱল কঠোৰ চেষ্টায়েই হ'ল সদগুণৰ ভেটি।"

চমুকৈ, চেষ্টায়েই হ'ল সদগুণৰ পথ।

বছৰ : ১৬   মাৰ্চ ১৯৯২   সংখ্যা : ১২

খনে : ৪.০০ টকা : বছৰেকীয়া বৰঙণি : ৪৮.০০ টকা

চান্দমামা

মাহৰ-পাছত মাহং ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

নেহৰু বঁটা : হেলমাট কোহ্‌ল

পৃথিৱীৰ খিৰিকীৰে

চৌচল্লিছ বছৰৰ আগতে, স্বাধীনতালাভৰ বাবে, আমাৰ দেশ বিভাজিত হৈছিল। ছয়চল্লিছ বছৰৰ আগতে বিভাজিত মহান দেশ এখনৰ মাস্তৰম্ভ এগৰাকী মহান নেতাৰে, যিগৰাকী নেত্যই সেই দ্বিখণ্ডিত দেশখনক পুনৰ এক কৰিবলৈ প্ৰচেষ্টা কৰিছিল আৰু সফল হৈছিল, আন্তৰ্জাতিক শুভবুদ্ধি সৃষ্টিৰ অন্যতম বাটকটীয়া হিচাপে 'নেহৰু বঁটা' প্ৰদান কৰি আদৰণি জনাইছে। ১৯৯০ চনৰ এই বঁটা দ্বিখণ্ডিত জাৰ্মানিৰ 'একীকৰণ'ৰ প্ৰচেষ্টা স্বৰূপে ড° হেলমাট কোহ্‌লক প্ৰদান কৰা হৈছে।

পণ্ডিত জৱহৰলাল নেহ্‌ৰুৰ জন্মদিন ১৪ নৱেম্বৰৰ দিনা এই বঁটা প্ৰদান কৰা হয়। ১৯৮৯ চনত এই বঁটা আফ্ৰিকাৰ বৰ্ণ-বৈষম্য সমস্যাৰ সমাধানৰ বাবে অপাৰ প্ৰচেষ্টাকাৰী জিম্বাবোৱেৰ ৰাষ্ট্ৰপতি ড° ৰবাৰ্ট মুগাবেলৈ প্ৰদান কৰা হৈছিল।

জাৰ্মানিৰ শেষ সম্ৰাট কাইজাৰ ৱিলহেল্‌ম্ (দ্বিতীয়) আৰু তাৰ পাছত হিটলাৰৰ স্বেচ্ছাচাৰী চৰকাৰৰ আমোলতো জাৰ্মানি এক হৈ আছিল। ১৯৩৯ চনত জাৰ্মানিয়ে পোলাণ্ড অধিকাৰ কৰাত দ্বিতীয় বিশ্বযুদ্ধ লাগি পৰিল আৰু ১৯৪৫ চনত সেই যুদ্ধত হিটলাৰে পৰাজয় মানি লৈ আত্মঘাতী হ'ল। তাৰ পাছত জাৰ্মানি আমেৰিকা, বৃটেইন, ফ্ৰান্স আৰু ছোভিয়েত ৰুছৰ তসতীয়া হ'ল আৰু ১৯৪৯ চনত জাৰ্মানদেশৰ পূৰ্ব প্ৰান্ত 'জাৰ্মান ডেম'ক্ৰেটিক ৰিপাবলিক' নাম লৈ স্বতন্ত্ৰ ৰাষ্ট্ৰ গঠিত হ'ল। এই স্বতন্ত্ৰ ৰাষ্ট্ৰকে 'পূৰ্ব-জাৰ্মানি' নামেৰে অভিহিত কৰা হয়। এই পূৰ্ব জাৰ্মানিৰ ৰাজধানী আছিল বাৰ্লিন। সেই একেই চনত পশ্চিম জাৰ্মানি 'ফেডাৰেল ৰিপাবলিক অভ্ জাৰ্মানি' ৰূপে প্ৰতিষ্ঠিত হ'ল। এই জাৰ্মানিৰ ৰাজধানী আছিল বন্ নামৰ মহানগৰী।

১৯৫৩ চনত পূৰ্ব জাৰ্মানিত যি বিপ্লৱ অনুষ্ঠিত হৈছিল। সেই বিপ্লৱ ছোভিয়েত ৰুছৰ সৈন্যই দমাই দিছিল আৰু তাৰ পাছত—পূৰ্ব জাৰ্মানিৰ জনসাধাৰণ পশ্চিম জাৰ্মানিলৈ যাতে যাব নোৱাৰে তাৰ বাবে সজা হ'ল 'বাৰ্লিন-প্ৰাচীৰ'।

১৯৭৩ চনত দুয়োখন জাৰ্মান ৰাষ্ট্ৰৰ

মাজত সুসম্পৰ্ক স্থাপিত হ'ল। ১৯৭৬ চনত কমিউনিষ্ট নেতা এৰিখ্ হোনেকাৰ পূৰ্ব জাৰ্মানীৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ল। তেওঁ ছোভিয়েত ৰুশ্ব্ কৰ্তৃপক্ষৰ সহযোগী হৈ থকা সত্বেও দুয়োখন জাৰ্মানিৰ মাজত সম্পৰ্কৰ উন্নতিৰ বাবে প্ৰচেষ্টা চলাইছিল। ১৯৮৭ চনত এৰিখ হোনেকাৰ পশ্চিম জাৰ্মানিলৈ ৰাষ্ট্ৰীয় চফৰ কৰিছিল। তেতিয়া ডঃ হেলমাট কোহ্‌ল আছিল পশ্চিম জাৰ্মানিৰ চ্যান্সেলাৰ।



১৯৯০ চনৰ এপ্ৰিলত আয়োজিত ১২ খন 'ইউৰোপীয় কাউন্সিল'ৰ সমাবেশত দুই জাৰ্মানিক একীকৰণৰ বাবে অৰ্থাৎ খণ্ডিত জাৰ্মানিৰ সত্বা বিলুপ্তিকৰণৰ বাবে হেলমাট কোহ্‌লৰ প্ৰচেষ্টালৈ সমৰ্থন জ্ঞাপন কৰা হ'ল, উৎসাহ প্ৰদান কৰা হ'ল। তেতিয়াৰেপৰাই ইউৰোপীয় দেশসমূহৰ মাজত উদ্ভূত সমস্যাৰ বিষয়ে ডঃ কোহ্‌লক অন্যতম প্ৰমুখ নেতা হিচাপে গণ্য কৰা হৈছিল।

১৯৯০ চনতে ৩ অক্ট'বাৰৰ দিনা দুই জাৰ্মানিৰ তত্ব বিলুপ্ত হ'ল, ডঃ কোহ্‌লৰ প্ৰচেষ্টা অৱশেষত জয়যুক্ত হ'ল। অপাৰ আনন্দৰে জনসাধাৰণে 'বাৰ্লিন-প্ৰাচীৰ' নামৰ সেই 'বিভেদৰ প্ৰাচীৰ' ভাঙি পেলালে। এতিয়া ৪ কোটি জাৰ্মান জনসাধাৰণৰ বাবে সংযুক্ত আৰ্থিক ব্যৱস্থাৰে 'সংযুক্ত জাৰ্মানি' বিশ্বৰ এক অনন্য শক্তিৰূপে বিৰাজমান হ'ব।

১৯৯০ চনৰ সাধাৰণ নিৰ্বাচনত ডঃ কোহ্‌লক জাৰ্মানিৰ চ্যান্সেলাৰ ৰূপে নিৰ্বাচিত কৰা হৈছিল। তেওঁ তেওঁৰ এক ভাষণত এই মন্তব্য কৰিছিল যে—বিবাদ-বিসম্বাদ আৰু বিশ্বশান্তিৰ দলবদ্ধতা-ৰহিত বিশ্ব-ব্যৱস্থাৰ ৰূপৰেখা চিন্তা কৰা অহিংসাৰ পূজাৰী মহাত্মা গান্ধী আৰু পণ্ডিত জৱহৰলাল নেহৰুৰ প্ৰদৰ্শিত সেই পথেৰে আগ বাঢ়ি তেওঁ আনন্দিত।

দুখন স্বতন্ত্ৰ জাৰ্মানিৰ একীকৰণ ইউৰোপীয় ইতিহাসত এক অতি উল্লেখনীয় তথা প্ৰশংসনীয় পদক্ষেপ বুলি 'নেহৰু এওৱাৰ্ড কমিটি'য়ে মন্তব্য কৰিছে।



বুদ্ধিৰ দোকান

বিমলপুৰীৰ মহাৰাজ বিবেকবৰ্মা আছিল সাহিত্যপ্ৰেমী ৰজা। তেওঁ বিশ্বাস কৰিছিল যে সৰস্বতীৰ কৃপা বিনে কোনেও পাণ্ডিত্য অৰ্জন কৰিব নোৱাৰে। সেইহে, তেওঁৰ দৰ্শনপ্ৰাৰ্থী কবি-পণ্ডিত সকলক তেওঁ যথেষ্ট আদৰ-সাদৰ কৰিছিল। মহাৰাজ বিবেকবৰ্মাৰ ৰাজকবি আছিল কবিশ্ৰেষ্ঠ শ্ৰীমুখ। কিন্তু মহামন্ত্ৰী বুদ্ধিপ্ৰিয়ই এই কবি-পণ্ডিত শ্ৰীমুখক বৰ ওখ-মাপৰ ব্যক্তি বুলি নাভাবিছিল। মহামন্ত্ৰীৰ দৃঢ় বিশ্বাস: ধনৰ আগত পাণ্ডিত্যৰ ফুটাকড়িৰ দামো নাই।

এদিন কথাই কথাই মহাৰাজে তেওঁৰ মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, শ্ৰীমুখৰ পাণ্ডিত্যৰ আগত মোৰ ধন-সোণ তেনেই তুচ্ছ বুলি মই ভাবোঁ।"

মহামন্ত্ৰীয়ে নিৰৱ হাঁহিৰে ক'লে, "মহাৰাজ, মোৰ অপৰাধ মাৰ্জনা কৰিব। আপোনাৰ এই কথাৰ সৈতে মই একমত নহওঁ। ধনৰ আগত সকলো সেও।"

এই কথোপকথনৰ কিছুদিনৰ অন্তত মহাৰাজ বিবেকবৰ্মা আৰু মহামন্ত্ৰী বুদ্ধিপ্ৰিয় এখন টোল পৰিদৰ্শন কৰিবলৈ ওলাল। গৈ গৈ তেওঁলোকে বিখ্যাত টোল মাধৱানন্দ-আশ্ৰম পালেগৈ।

মহাৰাজ বিবেকবৰ্মাদেৱে টোলৰ আচাৰ্য্য মাধৱানন্দক ক'লে, "হে আচাৰ্য্য, আপোনাৰ আশ্ৰমৰ বিদ্যাৰ্থীসকলক দেশৰ সৰ্বশ্ৰেষ্ঠ বিদ্যাৰ্থী বুলি কিয় কোৱা হয়?"

মৃদুকৈ হাঁহি মাৰি মাধৱানন্দই ক'লে: "হে ৰাজন্! আমাৰ ইয়াৰ বিদ্যাৰ্থীহঁতক শেষ পাঠ হিচাপে পণ্ডিত কবিশ্ৰেষ্ঠ

অনিল বৰ্মন

[মু]খৰ কাব্য পাঠ কৰিবলৈ দিয়া হয়। [কবি]শ্ৰেষ্ঠ শ্ৰীমুখৰ কাব্যৰপৰা ত্ৰুটি আৱিষ্কাৰ কৰিব পৰা হ'লেহে বিদ্যাৰ্থী-ইঁতক যোগ্যতাপত্ৰ প্ৰদান কৰা হয়।"

এই কথা শুনি মহাৰাজ যথেষ্ট ক্ৰুদ্ধ হ'ল। তেওঁ মাধৱানন্দক ক'লে, "তাৰ অৰ্থ হ'ল এয়ে যে, আমাৰ ৰাজকবি পণ্ডিত শ্ৰীমুখৰ দোষ-ত্ৰুটি আৱিষ্কাৰ কৰাটো আপোনাৰ টোলৰ ছাত্ৰইঁতৰ অৱশ্যকৰ্তব্য। আমাৰ ৰাজসভাৰ ক্ষেত্ৰত এয়া ঘোৰ অপমানৰ বিষয়।"

আচাৰ্য্য মাধৱানন্দই বিনম্ৰ ভাবে ক'লে, "মহাৰাজ, পণ্ডিত কবি শ্ৰীমুখৰ কাব্যৰপৰা ত্ৰুটি বিচাৰি উলিউৱাটো কোনো সাধাৰণ কাৰ্য্য নহয়। এই কাৰ্য্যৰ বাবে যথেষ্ট পাণ্ডিত্যৰ আৱশ্যক। পণ্ডিত শ্ৰীমুখৰ কাব্য হ'ল আমাৰ বিদ্যাৰ্জনৰ কষটি শিল। গতিকে—অপমানৰ নহয়, এই কাৰ্য্য গৌৰৱৰহে কাৰণ হ'ব লাগে।"

মহাৰাজে ক'লে, "ভাল! আজিলৈকে আপোনাৰ টোলৰপৰা কিমান বিদ্যাৰ্থীয়ে যোগ্যতাপত্ৰ লাভ কৰিলে?"

"মহাৰাজ, যোৱা বছৰলৈকে বছৰে কত দুই-এজনেহে যোগত্যাপত্ৰ লাভ কৰিছিল। কিন্তু এই বছৰ হঠাৎ কি হ'ল ক'ব নোৱাৰিছোঁ। এই বছৰ পোন্ধৰটি বিদ্যাৰ্থীয়ে যোগ্যতা-পত্ৰ লাভ কৰিলে, যদিও—এই বাৰৰ যোগ্যতাপত্ৰ লাভ কৰা বিদ্যাৰ্থীসকল আচলতে অতি সাধাৰণ যোগ্যতাসম্পন্ন ছাত্ৰ!" মাধৱানন্দই ক'লে।

"মহাকবি শ্ৰীমুখৰ কাব্য-ত্ৰুটি আৱিষ্কাৰ কৰিবপৰা ছাত্ৰ কেনেকৈনো সাধাৰণ যোগ্যতাসম্পন্ন হ'ব? শুনিময়ো আচৰিত মানিছোঁ।" মহাৰাজে ক'লে।

ইমান পৰে মনে মনে থকা মহামন্ত্ৰী বুদ্ধিপ্ৰিয়ই কৈ উঠিল, "এই কথাত আচৰিত হ'বলগীয়া একো নেদেখোঁ মই। মহাৰাজ! আচাৰ্য্য মাধৱানন্দৰ টোলৰপৰা উত্তীৰ্ণ হোৱা বিদ্যাৰ্থীক দেশৰ শ্ৰেষ্ঠ

বিদ্যাৰ্থী হিচাপে গণ্য কৰা হয়। সেইহে, হ'ব পাৰে যে—কোনোবা মহাপণ্ডিতে অৰ্থৰ বিনিময়ত শ্ৰীমুখৰ কাব্য-ত্ৰুটি উলিয়াই বিদ্যাৰ্থীহঁতৰ ওচৰত বেচিছে।"

মহাৰাজে এই কথাৰ টিকা-সঁকা ঠিকমতে পাবলৈ তেওঁৰ চোৰাংচোৱা-প্ৰধানক এই উৰহীৰ ওৰ বিচাৰি উলিয়াবলৈ নিৰ্দেশ দিলে।

চোৰাংচোৱা-প্ৰধানে তিনি দিনৰ অন্তত যি ক'লে, তাৰে মহামন্ত্ৰীৰ সুচিন্তিত অভিমতৰ সত্যতা প্ৰকাশ পালে। ৰাজধানীৰ এমূৰত ৰামাপুৰ গাঁৱত বিষ্ণুশৰ্মা নামৰ পণ্ডিত এগৰাকীয়ে শ্ৰীমুখৰ কাব্যৰ ত্ৰুটি উলিয়াই ইচ্ছুক ছাত্ৰহঁতৰ ওচৰত অৰ্থৰ বিনিময়ত বিক্ৰি কৰা হৈছে।

তেতিয়া মহাৰাজ স্বয়ং বিষ্ণুশৰ্মাৰ ওচৰলৈ গ'ল আৰু বিষ্ণুশৰ্মাক সুধিলে, "হে পণ্ডিতপ্ৰবৰ! আপোনাৰ মান পণ্ডিত লোকেও যদি এনে গৰ্হিত কাৰ্য্য কৰে, সেয়া দেশৰ পক্ষে অতি অহিতকৰ। আপোনাৰ এই কাৰ্য্যই অযোগ্যকো যোগ্যৰান কৰি তুলিছে, কাউৰীয়ে কুলিৰ ভাও দিছে। কিয় আপুনি এই কাৰ্য্য কৰিবলগীয়া হৈছে—জানিব পাৰোঁনে?"

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত বিষ্ণুশৰ্মাই হাত যোৰ কৰি ক'লে, "মহাৰাজ! মোৰ এই কাৰ্য্যৰ ফালত আন একো লাভ নহ'লেও আপোনাৰ দৰ্শনলাভ যে কৰিব





পাৰিলোঁ—সেয়ে মোৰ কাৰণে বিৰাট কথা। আপোনাৰ দৰ্শনলাভৰ বাবে মই কিমান যে চেষ্টা কৰিছিলোঁ! আপোনাৰ দৰ্শনলাভ কৰিব পৰাহেঁতেন পণ্ডিত শ্ৰীমুখৰ প্ৰকৃত পাণ্ডিত্যৰ তথা কবিত্বৰ দুৰ্বলতা ওলাই পৰিব—এই ধাৰণাৰেই তেৱেঁই ইমান দিন ধৰি মোক প্ৰাণপণে বাধা দি আহিছে আপোনাৰ দৰ্শনলাভত। মোৰ নিজৰ বিশ্বাস, পণ্ডিত কবিবৰ শ্ৰীমুখৰ তুলনাত মোৰ কাব্য শ্ৰেষ্ঠ। মহাৰাজ, আপুনি প্ৰতিভাহীন বিদ্যাৰ্থীক ধনৰ বিনিময়ত প্ৰতিভাসম্পন্ন কৰাৰ ছল-ছন্দ চাই দুঃখ বোধ কৰিছে, কিন্তু প্ৰকৃত প্ৰতিভা থকায়ো যে সামান্য ধনৰ অভাৱত ককবকাইছে — তালৈ মন কৰা নাই। গতিকে—উপায়হীন হৈ মই যে বুদ্ধি-বেচা দোকান খুলিছোঁ, মোৰ বুদ্ধিমত্তাক বিক্ৰি কৰিছোঁ, তাৰ বাবে মোৰ বিবেকে অলপো পীড়িত বোধ কৰা নাই।"

মহাৰাজে বিষ্ণুশৰ্মাৰ কথাৰ কোনো উত্তৰ নিদিলে। তেওঁ ৰাজধানীলৈ উভতি গ'ল। বাটত মহামন্ত্ৰী বুদ্ধিপ্ৰিয়ই ক'লে, "মহাৰাজ, লখিমীক পাবলৈ—দেখিছেই—পণ্ডিতেও সৰস্বতীক ধনেৰে বেচিছে। গতিকে—এইবাৰ মোৰ কথা সঠিক বুলি মানিবনে যে ধনৰ আগত পাণ্ডিত্য তুচ্ছ।"

মহাৰাজে হাঁহি মাৰি ক'লে, "মানিব নোৱাৰিলোঁ, মহামন্ত্ৰী। আপোনাৰ বক্তব্য সঠিক নহয়। ধনেৰে পেট প্ৰৰ্তাব পাৰি, কিন্তু সাহিত্য তথা পাণ্ডিত্যৰ স্থান ধনতকৈ বহু উচ্চত। সাহিত্য হ'ল কলাবিদ্যা। কলাৰ সৈতে কলৰ তুলনা নকৰিব। বিষ্ণুশৰ্মা পণ্ডিতে যে সামান্য ধনৰ বাবে এনেকৈ পাণ্ডিত্য বিক্ৰয় কৰিছে, সেই ত্ৰুটি আমাৰ মানে—মোৰহে। মই দেশৰ প্ৰতিপালক হৈও এইজনা পণ্ডিতৰ জীয়াই থকাৰ বাবে কি বন্দৱস্ত কৰিছোঁ? তেওঁৰ পাণ্ডিত্য সমগ্ৰ দেশৰ কাৰণে প্ৰযুক্ত হৈছে, দেশেনো তেওঁৰ কাৰণে কি কৰিছে?

অপৰাধী মইহে, বিষ্ণুশৰ্মা নহয়। পিছে —আপুনি পণ্ডিতসকলৰ পাণ্ডিত্যক যে মূল্য দিয়া নাই, তাৰ বাবে শ্ৰীমুখৰ দৰে আত্মস্বাৰ্থী পণ্ডিতহঁত দায়ী—এই কথা স্বীকাৰ কৰিবলৈ মই বাধ্য। এওঁলোকে প্ৰকৃত পাণ্ডিত্যক পণ্ডিতালিৰ কিনা-বেচাৰ দোকানলৈ পৰ্য্যৱসিত কৰিছে কেৱল নিজৰ লাভৰ বাবে।"

মহাৰাজে শ্ৰীমুখক ৰাজ-কবিৰ পদৰপৰা বৰ্খাস্ত কৰি পণ্ডিত বিষ্ণুশৰ্মাক সেই পদত নিযুক্ত কৰিলে আৰু যিকোনো পণ্ডিত ব্যক্তিয়ে বিনা বাধাৰে মহাৰাজক দৰ্শন কৰিব পৰাৰ সুবন্দৱস্তও কৰিলে।

এদিন মহাৰাজ বিবেকবৰ্মাদেৱে ইকথা-সিকথাৰ মাজত পণ্ডিত বিষ্ণুশৰ্মাক ক'লে, "হে পণ্ডিতশ্ৰেষ্ঠ, এতিয়া যিহেতু আপুনি ৰাজকবি, সিহেতুকে—আচাৰ্য্য মাধৱানন্দৰ শিষ্য তথা ছাত্ৰসকলক যোগ্যতাপত্ৰ প্ৰদানৰ ক্ষেত্ৰত আপোনাৰ কাব্যৰ শেষ ক্ৰুটিকে প্ৰমাণপত্ৰ হিচাপে গণ্য কৰা হৈছে।"

এই কথাৰ উত্তৰত বিষ্ণুশৰ্মাই ক'লে, "নহয় মহাৰাজ! এই ব্যৱস্থা সঠিক বা উচিত নহয়। কিয়নো—এই অৱস্থাক স্বীকাৰ কৰি ল'লে—ইমান দিন ধৰি মই কৰি অহা কাম আন কোনোবা পণ্ডিতেও কৰি থাকিব। বিদ্যাৰ্থীৰ বুদ্ধিৰ যোগ্য মূল্যায়ন কদাপি নহ'ব।"

তেতিয়া মহাৰাজে ক'লে, "বৰ্তমানে ৰাজ্যৰ পৰিস্থিতি আগৰ দৰে হৈ থকা নাই। এতিয়া যিকোনো পণ্ডিত ব্যক্তিয়ে সহজেই মোৰ কাষ চাপিব পৰিব। আৰু —শ্ৰীমুখৰ পৰিৱৰ্তে যিস্থলত আপুনি স্বয়ং আছে, চিন্তা কিহলৈ? মাধৱানন্দৰ টোলৰ এজন বিদ্যাৰ্থীয়েও যাতে যোগ্যতা-পত্ৰ নাপায়—মই তাকেহে বিচাৰোঁ।"

মহাৰাজৰ কথা শুনি পণ্ডিত বিষ্ণুশৰ্মা মুখত কোবোৱা দমৰাহেন হৈ পৰিল।

সাহস

ৰাম্ধনি গাঁৱৰ ৰাখহৰি এৰাতি হাবিত হিংস্ৰ জন্তু-জানোৱাৰবিলাকৰ মাজত কটালে আৰু ভালে-কুশলেই পাছদিনা ৰাতি পুৱালত এখোজ-দুখোজকৈ ঘৰলৈ উভতিলে ; কথাটো ইকাণ-সিকাণ হৈ গাঁৱৰ জমিদাৰৰ কাণতো পৰিলগৈ। শুনি জমিদাৰে অবাক মানি ভাবিলে : ৰাখহৰিক তাৰ এনে অদ্ভুত, আচৰিত সাহসিক কাৰ্য্যৰ বাবে পুৰস্কৃত কৰা উচিত। এই কথা ভাবি ৰাখহৰিক মাতি আনিবলৈ জমিদাৰে তেওঁৰ গোমস্তাক পঠালে।

ৰাখহৰি তেতিয়া ঘৰত নাছিল। জমিদাৰৰ গোমস্তাই কথাটো ৰাখহৰিৰ ঘৈণীয়েকক কোৱাত ৰাখহৰিৰ ঘৈণীয়েকে গিজগিজাই উঠি গোমস্তাক ক'লে, "কথাটো—জমিদাৰ ডাঙৰীয়াৰো কাণ ছুলেইগৈনে ? সি ল'ৰাৰ বাপেকীয়ে সিদিনা কাম কৰি পোৱা পইচাখিনি জুৱাত হেৰুৱাই ঘৰলৈ অহাত মই এই বুলি কৈ ঘৰৰপৰা খেদি পঠাইছিলোঁ। যে জুৱাত হেৰুৱা পইচা আৰু পাছদিনা কাম কৰাৰ পইচা একেলগে লৈ আহিব পাৰিলেহে ঘৰত সোমাবহি পাৰিব, নহ'লে ঘৰত ঠাই নহ'ব। গতিকে—সি বাধ্যত পৰিহে হাবিত সোমাই আছিলগৈ। তুমি তোমাৰ মালিকক—জমিদাৰ ডাঙৰীয়াক কোৱাগৈ যে—পুৰস্কাৰ দিব লাগিলে তেওঁ মোকহে দিব লাগে।"

গোমস্তাৰপৰা কথাখিনি শুনি জমিদাৰে হাহি হাহি ক'লে, "এই কথা ঠিক যে ৰাখহৰিক তাৰ ঘৈণীয়েৰাইহে সাহসী কৰি তুলিছিল। পুৰস্কাৰ তাইৰহে প্ৰাপ্য।" —কুমাৰী গোমতী

অপূৰ্ব কাহিনী

১১

[আগৰ কথা : মুনি সদানন্দৰ আদেশক্রমে দুষ্টৰ দমনৰ বাবে অপূৰ্বই হিমালয় পৰিত্যাগ কৰি ৰুদ্ৰপুৰীলৈ গ'ল। ৰুদ্ৰপুৰীৰ ৰাজকুঁৱৰী কৃষ্ণকুমাৰীৰ ডিঙিত থকা মণিমালাৰ মাজত থকা মহাশক্তিসম্পন্ন চন্দ্ৰকান্তমণি হস্তগত কৰাৰ বাবে দুষ্ট তান্ত্ৰিকে—যাৰ আচল নাম বীৰবিকট—সেই তান্ত্ৰিকে ৰুদ্ৰপুৰীৰ লোভী মহামন্ত্ৰীৰ সৈতে এক বিৰাট ষড়যন্ত্ৰ পাতিলে। অপূৰ্বই অদৃশ্য হৈ থাকি এইবোৰ ষড়যন্ত্ৰৰ কথা শুনি তাৰ কৰ্তব্য স্থিৰ কৰিলে। আৰু তাৰ পাছত ...]

ৰুদ্ৰপুৰীৰ মহামন্ত্ৰীৰ বাসভৱনৰপৰা তান্ত্ৰিক বীৰবিকট ওলাই আহিল, আৰু সেই গভীৰ আউসীৰ নিশা ঘুটঘুটীয়া এন্ধাৰৰ বুকু ফালি ফালি ক'ৰবালৈ গৈ থাকিল, আৰু অপূৰ্বয়ো পিছ ল'লে।

নগৰৰ তথা ৰাজধানী ৰুদ্ৰপুৰীৰ সীমা পাৰ হৈ তান্ত্ৰিক বীৰ বিকটে চাৰিওফালে অতি সাৱধানী দৃষ্টিৰে চাই ল'লে, আৰু তাৰ পাছত বহু সময়লৈকে একেৰাহে খোজ কাঢ়ি থকাৰ অন্তত এডৰা অটব্য অৰণ্যৰ কাষত ৰৈ দিলে। তাৰ পাছত ইফালে-সিফালে চাই হাত-তালি বজালে।

লগে লগে অৰণ্যৰ এঠাইত আলোড়ন উঠিল আৰু চাওঁতে চাওঁতে অৰণ্যৰপৰা বিৰাট ভালুক এটা ওলাই আহি তান্ত্ৰিক বীৰবিকটৰ ভৰিৰ ওচৰত বহি দিলে।

তান্ত্ৰিক বীৰবিকট ভালুকটোৰ পিঠিৰ ওপৰত বহিল আৰু লগে লগে ভালুকটোৱে তীব্ৰ গতিৰে অৰণ্যৰ একাষেদি গৈ থাকিল। কোৱা বাহুল্য, অপূৰ্বও তান্ত্ৰিক বীৰবিকটৰ পিছে পিছে একেই গতিৰে গুমাই গৈ থাকিল।

অলপ সময়লৈ এইদৰে গৈ থকাৰ পাছত সিহঁত নৈ এখন পাই বৈ দিলে। তান্ত্ৰিক ভালুকৰ পিঠিৰপৰা নামি আহিল, আৰু ভালুকটোৰ কাণত ধৰি খঙতে ক'লে, "মূৰ্খ! তই দৌৰিবলৈকো পাহৰিলিনে! দৌৰি দৌৰি ব'ল, সৌ বৰগছজোপাৰ ওচৰলৈ তৎক্ষণাৎ যাব লাগিব।"

ভালুকটোৱে তাৰ মূৰটো ইফালে-সিফালে লৰাই তাৰ মনৰ ভাব প্ৰকাশ কৰিলে। ভালুকটোলৈ অপূৰ্বৰ মনত পুতৌ উপজিল। অপূৰ্বয়ো কেতিয়াবা জন্তু-জানোৱাৰৰ পিঠিত উঠি ঘূৰি ফুৰা নহয়, কিন্তু সেইবোৰ জন্তুক অপূৰ্বই যথেষ্ট মৰম কৰে।

তান্ত্ৰিকে নৈৰ পাৰত থিয় হৈ কিবাকিবা মন্ত্ৰ মাতিলে, আৰু তিনিবাৰ হাত-চাপৰি বজালে। অলপ পাছত নৈৰ পানীত বিৰাট ঢৌ উঠিল আৰু চাওঁতে চাওঁতে বিৰাট কুম্ভীৰ এটাই পানী ফালি ফালি তান্ত্ৰিক বীৰবিকটৰ ভৰিৰ ওচৰত ৰ'লহি। তান্ত্ৰিক বীৰবিকটে তৎক্ষণাৎ প্ৰকাণ্ড কুম্ভীৰটোৰ ওপৰত উঠি বহিল আৰু কুম্ভীৰটোক আদেশ কৰিলে, "ব'ল, জল্‌দি জল্‌দি ব'ল মাতাৰ ওচৰলৈ।"

বিৰাট আকাৰৰ কুম্ভীৰটোৱে তান্ত্ৰিকক পিঠিৰ ওপৰত লৈ পানী ফালি ফালি পশ্চিম দিশলৈ বুলি গৈ থাকিল…। অপূৰ্বই একেই গতিৰে নৈৰ পাৰেদি দৌৰি দৌৰি গৈ থাকিল।

আকাশত তেতিয়া কাঁচিজোন পৰিদৃষ্ট হৈছিল, আৰু নৈপৰীয়া হাবিও উঠিছিল শিয়াল আৰু অন্যান্য জন্তু-জানোৱাৰৰ চিঞৰ। কেতিয়াবা বাঘৰ গোজৰণিও

RAZI

যাবলৈ যো-জা কৰা দেখি অপূৰ্বয়ো ৰাধ্যত পৰি নৈৰ পানীলৈ জঁপিয়াই পৰিল আৰু কুম্ভীৰটোৰ পিছে পিছে সুড়ংগৰ ভিতৰলৈ গৈ বিৰাট এচটা শিলৰ আগত ৰ'লগৈ। তান্ত্ৰিক বীৰবিকটে কুম্ভীৰটোৰ পিঠিৰপৰা জঁাপ মাৰি নামি আহি শিলচটাৰ ওপৰত থিয় হ'লগৈ।

"কোন— ? কোন তাত ?"

গুহাৰ ভিতৰত ধ্বনিত-প্ৰতিধ্বনিত হৈ উঠিল এক মিহি কিন্তু কাঁহৰ নিচিনা ধাতৰ-কণ্ঠৰ উচ্চ চিঞৰ।

এনেহেন অদ্ভূত কণ্ঠস্বৰ অপূৰ্বই ক'তো-কেতিয়াও শুনা নাছিল। এই কণ্ঠস্বৰ আছিল পৈশাচিক কণ্ঠস্বৰ। এই কণ্ঠস্বৰ যে কোনোবা বৃদ্ধাৰ, সেই বিষয়ে অপূৰ্ব নিশ্চিন্ত হ'ল।

এই ধাতৰ কণ্ঠস্বৰৰ তথা জিজ্ঞাসাৰ প্ৰত্যুত্তৰত তান্ত্ৰিকে কৈ উঠিল, "মাতা! মই, তোমাৰ সেৱক বীৰবিকট। মই ভিতৰলৈ সোমাই আহোঁনে ?"

"তুমি নিশ্চয় আহিবা, কিন্তু তোমাৰ পিছ ফালে থিয় হৈ থকা যে আন এটা— সেইটো কোন ?"

ধাতৰ কণ্ঠস্বৰে পুনৰ সুধিলে।

"মই আৰু আমাৰ কুম্ভীৰ-ককাৰ বাহিৰে ইয়াত আন কোনো নাই, মাতা!"

অপূৰ্বৰ কাণত পৰিল। কিন্তু এইবোৰত অপূৰ্বই অলপো ভয় নাখালে। দৰাচলতে —ভয় কাক বোলে অপূৰ্বই তাকেই নাজানে। অপূৰ্বই তান্ত্ৰিকৰ ৰহস্য বিচাৰি সৰ্ব বাধা উপেক্ষা কৰি উদ্দাম গতিৰে গৈ থাকিল নৈৰ কাণে কাণে।

এইদৰে, বহু দূৰলৈ যোৱাৰ পাছত নৈখন দুভাগেৰে ভাগ হৈ থকা দেখা গ'ল। আৰু নৈৰ এভাগ এটা পাহাৰৰ ভিতৰফাললৈ সোমাই যোৱা, অৰ্থাৎ এটা সুড়ংগৰ ভিতৰলৈ গতি লোৱা দেখা গ'ল। কুম্ভীৰটোৱে তান্ত্ৰিক বীৰবিকটৰ আদেশ মতে সুড়ংগৰ ভিতৰলৈ সোমাই

"মূৰ্খ !"

মাতাই উগ্ৰ খণ্ডতে গুজৰি উঠিল, "পিছফাললৈ ঘূৰি চোৱাঁ !"

অপূৰ্বই বুজি পালে যে এই খেতৰ সাইজ বুঢ়ীয়ে যেনেকৈয়েই নহওক তাৰ উপস্থিতিৰ কথা গম পাই গৈছে। অপূৰ্বই তৎমুহূৰ্ত্ততেই অদৃশ্য মন্ত্ৰ মাতি পূৰ্ণৰূপে অদৃশ্য হৈ পৰিল। তান্ত্ৰিকে ৰিতবিতকৈ বিচাৰিও অপূৰ্বক ক'তো-কেনিও দেখা নাপালে আৰু পুনৰ ক'লে, "নহয়, মাতা ! ইয়াত কুম্ভীৰককা, আৰু মোৰ বাহিৰে তৃতীয় কোনো প্ৰাণী নাই।"

"ঠিক আছে, ভিতৰলৈ আহাঁ।"

সেই কাঁহৰ নিচিনা কণ্ঠই তান্ত্ৰিকক আদেশ দিলে।

মানুহৰ লাওখোলাত অত্যাশ্চাৰ্য্য জুই একুৰা জ্বলি থকা আৰু তাৰপৰা বিয়পি পৰা হালধীয়া বৰণৰ পোহৰৰ মাজতে সিংহাসনৰ দৰে সুউচ্চ বেদীত দেখাত প্ৰায় কংকালৰ দৰে বৃদ্ধা এজনী বহি আছিল। দেখাত অতি ভয়ংকৰী এই লোলা বৃদ্ধাৰ দেহৰপৰা কিন্তু এবিধ পোহৰহেন কিবা ওলাইছিল, চকুৰ পুতলী দুটা আছিল দুটুকুৰা জ্বলি থকা কয়লাৰ দৰে, হাতৰ আঙুলিবোৰ ভাওৰ জোকৰ দৰে লেউসেউ কিন্তু, দীঘল আৰু চকুৰ চাৰনি সাপৰ দৰে কুটিল।

"খবৰ কি কোৱা। তোমাৰ কাম ফতেহ্ হলেনে ? নে আধকৰাকৈ এৰি থৈ আহিলা ?" খেতৰ-সাইজ বৃদ্ধাই সুধিলে।

বীৰবিকটে এই ভয়ংকৰী বৃদ্ধাৰ ভৰিত উবুৰি খাই পৰি প্ৰণাম কৰিলে আৰু তাৰ পাছত খাড়া হৈ ক'লে, "হয়, মাতা ! সেই চন্দ্ৰকান্তমণি এতিয়াও আমাৰ ৰাজকুঁৱৰী কৃষ্ণকুমাৰীৰ ডিঙিত ওলমিছে। কিন্তু— সেই চন্দ্ৰকান্তমণি মোৰ হাততে আহি যাব বুলি মই আশা কৰিছোঁ।"

"তোমাৰ হাতত — কেৱল সেই মণিয়েই আহিবনে ?" যাদুকৰী বৃদ্ধাই

তান্ত্ৰিকলৈ কৈঁৰাকৈ চাই সুধিলে।

বীৰবিকটে যাদুকৰী বুঢ়ীৰ প্ৰশ্নৰ উত্তৰ পট্‌কৈ দিব নোৱাৰিলে, নিমাত হৈ বৃদ্ধালৈ চাই থাকিল।

তান্ত্ৰিক বীৰবিকটক বেকেটামুৰা যেন হৈ পৰা দেখি বুঢ়ীয়ে হিঁঃ— হিঁঃ—হিঁঃ—হিঁ কৈ বাগৰি বাগৰি হাঁহিবলৈ ধৰিলে, আৰু সেই হাঁহিৰ ধ্বনি-প্ৰতিধ্বনিয়ে সুড়ংগ যেনেকৈ কঁপাই তুলিলে, তেনেকৈ স্বয়ং তান্ত্ৰিক বীৰবিকটো ধাৰৰ নল কঁপাদি কঁপি উঠিল।

"মাতা! তোমাৰ মতলব—মানে—তোমাৰ উদ্দেশ্য কি, মই এতিয়ালৈকো জ্ঞাত নহওঁ। সেই চন্দ্ৰকান্তমণিৰ সৈতে তোমাক আৰু কিবা লাগিবনে কি?" বীৰবিকটে সুধিলে।

"মোক আৰু কিবা লাগিবনে কি?—মূৰ্খ! তুমি যি চন্দ্ৰকান্তমণিক আপুৰুগ বুলি ভাবিছা, সেই মণি মোৰ মানত তেনেই তুচ্ছ! মই কেতিয়াবা সেই মণিৰ কথা তোমাক কৈছোনে?" খেতৰসাইজ বৃদ্ধাই ঠল-মঠলকৈ ক'লে।

"নহয়, তুমি কেতিয়াও এই মণি খোজা নাই, এই মণি কেনেকৈ আয়ত্ত কৰিব লাগিব তাকেহে মাথোন কৈছিলা। তোমাৰ এই কৰুণা মই জীৱনকালতো নেপাহৰোঁ, মাতা!" বীৰবিকটে বিনীত কণ্ঠেৰে ক'লে।

"কৰুণা! ৰে ৰ্খ! কৰুণাৰে জগতত কোনো সৎকাৰ্য্য নহয়। মোৰ মাজত ধন-দৌলতৰ ওপৰত মায়া-মমতা নাই। কোনো বিশেষ অধিকাৰৰো ইচ্ছা নাই। তুমি ৰজা হোৱাৰ ইচ্ছা প্ৰকাশ কৰাত তোমাক ৰজা নহয় — জগতৰ সম্ৰাট হোৱাৰ উপায় কৈ দিছোঁ, তাৰ বাবে সহায় কৰিছোঁ। মই তোমাক সামান্য ৰজা নহয়, সমগ্ৰ বিশ্বৰ সম্ৰাট বনাই দিম।" যাদুকৰীয়ে ক'লে।

"তোমাৰ সহায় মই জীৱনতো

নেপাহৰোঁ হে মোৰ মাতা! হে জগৎ-মাতা!" বীৰবিকটে ক'লে।

"এইবোৰ ফুচুৰি কথা মোক নালাগে। মই তোমাক যেনেকৈ সহায় কৰিম, তাৰ প্ৰতিদানৰ মই প্ৰত্যাশী।" বৃদ্ধা খেতৰ সাইজে সে সেকৈ হাঁহি হাঁহি ক'লে, "মোৰ ইচ্ছা মাত্ৰ একেটি ইচ্ছা। মই মোৰ হেবোৱা যৌৱন ঘূৰাই পাব খুজিছোঁ। আৰু সেই কাৰণে—কেৱল চন্দ্ৰকান্তমণি লৈ আহিলেই নহ'ব, চন্দ্ৰকান্তমণিৰ বৰ্তমান গৰাকী—ৰাজকুঁৱৰী কৃষ্ণকুমাৰীকো লৈ আহিব লাগিব। মই সেই ৰাজকুঁৱৰীৰ যৌৱন নিজৰ দেহত শুহি ল'ম, আৰু ৰাজকুঁৱৰীৰ জঁকাঠো মাথোন পেলাই থ'ম! হাঃ হাঃ হাঃ—হিঃ হিঃ হিঃ! যাদুকৰী সোলামুখী খেতৰ সাইজ বুঢ়ীয়ে বাগৰি বাগৰি হাঁহিলে।

এই কথা শুনি অপূৰ্ব কঁপি উঠিল, বীৰবিকট অতি বেয়াধৰণে বিষম চিন্তাত পৰিল।

"আগতেও তুমি আন কিছুমান যুৱতীক এই কামত ব্যৱহাৰ কৰিছিলা, সিহঁতৰ যৌৱন শুহি লৈ সেই যুৱতীহঁতক নিৰ্মমভাবে হত্যা কৰিছিলা। কিন্তু—তুমি দেখোন একেই আছা!" বীৰবিকটে মাতাৰ উদ্দেশ্য সম্পৰ্কে সন্দেহ প্ৰকাশ কৰিলে।

"চুপ্ থাক্! মূৰ্খ! তোমাৰ এইবোৰ কপটতা ছল-চ্ছন্দ চটুৰামি — চব ধোঁৱাচাঙত থৈ দিয়া। তোমাৰ কাম সহজে সিজাবলৈ মোক মিছা প্ৰশংসা নকৰা! শুনিছাই নহয় মোৰ কামনা-বাসনাৰ কথা? যেনেকৈ যি কৈছোঁ, তাকে কৰাঁ। আৰু—যদি কৰিবৰ মন নাই—এতিয়াই-এই মুহূৰ্ত্ততে ইয়াৰপৰা ওলাই যোৱা! মই কৈছোঁ—এতিয়াই ওলাই যোৱা। ক্ৰুদ্ধ যাদুকৰীয়ে চিৎকাৰ কৰি কৰি ক'লে। [অহা সংখ্যাত

খাছ

সিংহকেতু মহাৰাজৰ খাছ বাবুৰ্চী অৰ্থাৎ ৰান্ধনি আছিল শিবু। শিবু বাবুৰ্চীয়ে কেৱল মহাৰাজৰ খানা তৈয়াৰ কৰে। সেই কাৰণে শিবুক 'ৰজাৰ খাছ বাবুৰ্চী' বুলি কোৱা হৈছিল।

এবাৰ মহাৰাণীৰ ভায়েক আহিল বায়েকক চাবলৈ। মহাৰাণীয়ে শিবুক মহাৰাজৰ খানাৰ লগত ভায়েকৰ বাবেও খানা বনাবলৈ ক'লে। কিন্তু শিবুৱে মহাৰাজৰ খানা তৈয়াৰ কৰাৰ বাহিৰে আন কাৰোবাৰ বাবে খানা তৈয়াৰ নকৰিব বুলি কোৱাত মহাৰাণীয়ে শিবুক বন্দী কৰি বিচাৰৰ বাবে মহাৰাজৰ ওচৰলৈ লৈ যাবলৈ প্ৰহৰীইতক ক'লে।

মহাৰাজে এই বিষয়ে শিবুক কঠোৰভাবে সোধাত শিবুৱে নম্ৰতাৰে ক'লে, "মহাৰাজ! মই হ'লোঁ 'ৰজাৰ খাছ বাবুৰ্চী', কেৱল মহাৰাজৰ কাৰণে খানা বনাম, মহাৰাজৰ কথাহে মানিম, এই কথা চবেই জানে।"

মহাৰাজে মোচত তাও দিলে আৰু নিজৰ ডিঙিত থকা ৰত্নহাৰ শিবুক ৰাজভক্তিৰ পুৰস্কাৰ হিচাপে দিলে আৰু শিবুৰ আত্মসন্মানবোধৰ কথা ৰাজসভাত সগৰ্বে ক'লে।

তাৰ পাছত মহাৰাজে শিবুক পুনৰ ক'লে, "তুমি মহাৰাণীৰ ভ্ৰাতৃৰ বাবে খানা বনোৱা, মই তোমাক এশ স্বৰ্ণমুদ্ৰা পুৰস্কাৰ দিম।"

শিবু মহাৰাজৰ এই প্ৰস্তাৱত সন্মত হ'ল।

তেতিয়া মহাৰাজে ক'লে, "শিবু, এয়ানো কেনেকুৱা কথা? তুমি মোৰ খাছ বাবুৰ্চী হৈ—মাত্ৰ এশটি স্বৰ্ণমুদ্ৰাৰ বাবেই মত সলালানে?"

শিবুৱে ক'লে "এই কথাত কি দোষ হ'ল—মহাৰাজ? কেৱল খানা বনোৱাই নহয়—মহাৰাজৰ ইজ্জতৰো তো কথা আছে। মহাৰাজৰ খাছ ববুৰ্চীয়ে মহাৰাজক কোনো কথাতে বেইজ্জত কৰিব নোৱাৰে।"

শিবুৰ উত্তৰ শুনি মহাৰাজ সিংহকেতু পৰিতুষ্ট হ'ল, আৰু শিবুক এশৰ সলনি পাঁচশ স্বৰ্ণমুদ্ৰাৰে পুৰস্কৃত কৰিলে।

—জয় জগদীশ

নিয়ম-অনিয়ম

দৃঢ়ব্ৰতী ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল আৰু গছৰ ডালত ওলমি থকা মৃতদেহটো কান্ধৰ ওপৰত লৈ পুনৰ শ্মশানমুৰা হ'ল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি দৃঢ়ব্ৰতী, কিন্তু তুমি যে এইদৰে যথানিয়মে অপাৰ শ্ৰম কৰি আছা—তাৰ কি মূল্য পাবা বুলি ভাবা? জানি থোৱা, নিয়মৰো অনিয়ম হয়, আৰু প্ৰয়োজনত অনিয়মকো নিয়ম বুলিয়েই বিজ্ঞ লোকেও আদৰে। এই বিষয়ে মই তোমাক সত্যমূৰ্তি নামৰ এগৰাকী ধনাঢ্য ব্যক্তিৰ কাহিনী কওঁ শুনা, যিজনে অনিয়ম কৰিয়েই শেহান্তৰত সুখ পাইছিল। শুনি তোমাৰ কৰ্তব্য তুমিয়েই স্থিৰ কৰিব পাৰিবা।" এই বুলি কৈ বেতালে পুনৰ কবলৈ ধৰিলে :

'বেতাল-কথা'



সংগ্ৰহ কৰি, বিশেষকৈ চিত্ৰকলা সংগ্ৰহ কৰি সত্যমূৰ্তিয়ে অপাৰ আনন্দ লভিছিল।

মহাৰাজ জয়সেনে সত্যমূৰ্তিৰ এটা কথাত বৰ ভাল নাপাইছিল। সত্যমূৰ্তিয়ে তেওঁৰ সংগৃহীত সামগ্ৰী কোনো অৱস্থাতেই বা কোনো মূল্যাতেই কাকো দিবলৈ মান্তি হোৱা নাছিল, আৰু স্বয়ং মহাৰাজকো সত্যমূৰ্তিয়ে-এই বিষয়ত অগ্ৰাহ্য কৰিছিল। সত্যমূৰ্তিৰ বক্তব্য আছিল যে—তেওঁৰ এয়ে নিয়ম, আৰু এই নিয়মৰ হেৰ-ফেৰ কৰি অনিয়মৰ নিয়ম তেওঁ একোপধ্যে প্ৰচলন নকৰিব। মহাৰাজ জয়সেনে বেয়া পাইছিল, যদিও বন্ধুৰ এই কঠোৰ নিয়মানুৱৰ্তিতাৰ বিৰুদ্ধে কোনো দিনে কোনো মাতো নামাতিছিল বা এই কাৰণে বন্ধুত্বৰ হেৰ-ফেৰো নকৰিছিল।

এদিন শিৱদত্ত নামৰ যুৱক এজন সত্যমূৰ্তিৰ ওচৰলৈ আহিল। যুৱকৰ পিন্ধনত আছিল ফটা-ছিঙা মলিয়ন কাপোৰ-কানি আৰু জ্বালি-পানীও আছিল নিশকতীয়াবিধৰ। কিন্তু তথাপি যুৱকৰ দৃষ্টিত আছিল এক ঐতিহ্যৰ প্ৰকাশ। এই দৃষ্টিলৈ চায়েই সত্যমূৰ্তিয়ে যুৱকক আথেবেথে বহিবলৈ দিলে আৰু যথোচিত কুশল-প্ৰশ্ন সুধিলে।

যুৱকে সত্যমূৰ্তিক ক'লে, "মহোদয়

স্বৰ্ণদীপ নামৰ ৰাজ্যত সত্যমূৰ্তি নামৰ এগৰাকী বিৰাট ধনাঢ্য ব্যক্তি বাস কৰিছিল। তেওঁ আছিল কোটিপতি ব্যৱসায়ী। সত্যমূৰ্তি যদিও ব্যৱসায়ী, তথাপি ধাৰ্মিক আছিল, আছিল পৰদুঃখ-কাতৰ, উদাৰচিতীয়া। দেশৰ ৰজা জয়সেন আছিল সত্যমূৰ্তিৰ বন্ধু।

সত্যমূৰ্তি কেৱল ব্যৱসায়েই নকৰিছিল। তেওঁ আছিল এগৰাকী উচ্চ মানদণ্ডসম্পন্ন চিত্ৰকৰ। তদুপৰি—বিভিন্ন বস্তু, বিশেষকৈ চিত্ৰকলা সংগ্ৰহ কৰাত তেওঁ আছিল এক বিশিষ্ট অনুৰাগী সংগ্ৰাহক। বিভিন্ন বিস্ময়কৰ সামগ্ৰী

মোৰ এই দৰিদ্ৰ অৱস্থালৈ চাই আনকি মোৰ চিনাকি মানুহখিনিয়েও মুখ ঘূৰাই লয়; কিন্তু আপুনি যে মোকহে দেখিছে, মোৰ দৰিদ্ৰ অৱস্থাক নহয়—তাৰ বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। মোৰ নাম শিৱদত্ত। মই এক জমিদাৰ-পৰিয়ালৰ ল'ৰা, যদিও সম্প্ৰতি প্ৰকৃততেই ভাগ্য-বিড়ম্বিত। আপুনি প্ৰাচীন-পুৰণি সামগ্ৰী কিনে, সেই কথা জানিহে আপোনাৰ কাষ চাপিছোঁ। মই আপোনাক তেল-ৰঙেৰে অঁকা এখন চিত্ৰ দেখুৱাম। আপুনি যদি ভাল পায় আৰু উচিত মূল্যেৰে লয়, মই প্ৰকৃততেই উপকৃত হ'ম।" এই বুলি কৈ, শিৱদত্তই চিত্ৰখন সত্যমূৰ্তিক দিলে।

সত্যমূৰ্তিয়ে ৰ' লাগি চিত্ৰখনলৈ চাই ৰ'ল। চিত্ৰখন আছিল এগৰাকী মমতাময়ী মাতৃ আৰু শিশুৰ অনুপম চিত্ৰ। মাতৃয়ে শিশুটিক চুমা যাচিছে আৰু শিশুটিয়ে হাঁহিছে—চিত্ৰত এই মুহূৰ্তক ফুটাই তোলা হৈছে। সত্যমূৰ্তিয়ে শিৱদত্তক ক'লে, "যদি মোৰ ধাৰণা ভুল নহয়, তেনেহ'লে—এই চিত্ৰখন কোনো কল্পিত চিত্ৰ নহয়, বাস্তৱ জীৱনৰ চিত্ৰ। হয়নে?"

"আপোনাৰ ধাৰণা সম্পূৰ্ণ সত্য। এই চিত্ৰত থকা মাতৃমূৰ্তি হ'ল মোৰেই মাতৃ। আৰু সেই শিশুটি—মই। এই চিত্ৰ পাই, চিত্ৰকাৰক আমাৰ পিতাদেৱে এশ হালিচা নিজৰ মাটি পুৰস্কাৰ হিচাপে দিছিল। এতিয়া তেওঁৰ পুত্ৰ নিজেই দাৰিদ্ৰ্যৰ চিকাৰ। সেইহে—চিত্ৰখন বিক্ৰি কৰিম বুলি আপোনাৰ কাষ চাপিছোঁ। শিৱদত্তই দুখ মনেৰে ক'লে।

"চিন্তা নকৰিবা। চিত্ৰখন মই অতি যত্নৰে ৰাখিম। কিন্তু—এই চিত্ৰৰ মূল্য নিৰূপণ—মই নিজে কৰিব নোৱাৰিম। মই তোমাক মোৰ ধন-ভঁৰাললৈ লৈ যাম, তুমি—তোমাক যিমান লাগে এই চিত্ৰ-খনৰ বাবে, লৈ যাবা।" শিৱদত্তক সত্য-

মূর্তিয়ে তেওঁৰ ধন-ভঁৰাললৈ লৈ গ'ল।

শিৰদত্তই ধন-ভঁৰালৰপৰা এশ মুদ্ৰা উঠাই ল'লে আৰু ক'লে, "এইখিনিৰেই মোৰ যথেষ্ট হৈ যাব। এইখিনিৰে মই বাৰ্‌সায়ত ধৰিম।"

সত্যমূর্তি হতবাক হ'ল। মাত্ৰ এশ মুদ্ৰা! সত্যমূর্তিয়ে ক'লে, "এনে অনুপম-অপূৰ্ব চিত্ৰ এখনৰ এই মূল্য কোনো মূল্যয়েই নহয়। কমেও একলাখ মুদ্ৰা লৈ যোৱা।"

"নালাগে, এইখিনিৰেই মোৰ হৈ যাব। এইখিনিৰেই—ভাগ্যত থাকিলে—লাখপতি হ'ব পাৰিম।" এই বুলি কৈ শিৰদত্ত তাৰপৰা গুচি গ'ল।

সত্যমূর্তিয়ে মহাৰাজ জয়সেনক এই চিত্ৰখন দেখুৱালে। মহাৰাজেও চিত্ৰখন চাই অতি ভাল পালে আৰু সত্যমূর্তিক ক'লে, "এই চিত্ৰখন আমাৰ অন্তেষপুৰত ৰাখিব পৰা হ'লে বৰ ভাল পাম। তোমাক যি লাগে যিমান লাগে লোৱা, মোক মাত্ৰ এইখন দিয়া। যদি তথাপি দিবৰ মন নাই, কিছুদিনৰ কাৰণে হ'লেও দিয়া।"

কিন্তু সত্যমূর্তিয়ে মৃদুকৈ হাঁহিৰে মহাৰাজৰ এই অনুৰোধও 'নিয়ম'ৰ কথা দাঙি ধৰি পোনেই প্ৰত্যাখ্যান কৰিলে। সত্যমূর্তিয়ে ক'লে, "মোৰ সংগৃহীত কোনো সামগ্ৰীয়েই সংগ্ৰহশালাৰ বাহিৰলৈ নাযাব — এয়ে মোৰ নিয়ম। মোৰ অক্ষমতাৰ বাবে ক্ষমা কৰক, বন্ধু!"

এই ঘটনাৰ অন্তত কেইবছৰমান পাৰ হ'ল। এদিন মহাৰাজে সত্যমূর্তিৰ ঘৰতে বহি কথা পাতি থাকোঁতে শিৰদত্ত তালৈ আহিল। তেতিয়া শিৰদত্তৰ আৰু আগৰ দাৰিদ্ৰ্যৰ চিন-মোকামও নাই। শিৰদত্তৰ যে কপাল ফুলিছে সেই কথা তাৰ জাল-পানীতে দেখ দেখ ফুটি উঠিছে। এইবাৰো সত্যমূর্তিয়ে বৰ আদৰ-সাদৰ কৰি শিৰদত্তক বহিবলৈ দিলে আৰু মহাৰাজৰ সৈতেও চিনাকি কৰালে। তাৰ পাছত

সুধিলে, "এতিয়া কেনে আছা, শিৰদত্ত?"

"মহাশয়, আপোনাৰপৰা যিখিনি মুদ্ৰা লৈছিলোঁ, তাৰে সজভাবে বেহা-বেপাৰ কৰি মোৰ ঢেৰ লাভ হ'ল। মোৰ হাতত এতিয়া কেইবালাখো মুদ্ৰা আছে। যদিও—সেইবাৰৰ দৰে এইবাৰো মই আপোনাৰপৰা পুনৰ সহায় বিচাৰিয়েই আহিছোঁ।" শিৰদত্তই ক'লে।

"সহায়? —কোৱা, কেনেকুৱা সহায় লাগে কোৱা। তোমাক মই যিকোনো ধৰণৰ সহায় কৰিবলৈ সাজু। ব্যৱসায়ৰ কাৰণে যদি—"



শিৰদত্তই হাত যোৰ কৰি সত্যমূৰ্তিক ৰখালে আৰু ক'লে, "ধনৰ সহায় এতিয়া আৰু মোক নালাগে, মনৰ সহায়হে লাগে। মাতৃৰ সেই চিত্ৰখন আপোনাক দি থৈ যোৱাৰেপৰাই মোৰ মনত অশান্তি। মোৰ একান্ত অনুৰোধ, মোৰ সেই চিত্ৰখন মোক ঘূৰাই দিয়ক। তাৰ বাবে যিমান মুদ্ৰা লাগে—মই দিবলৈ প্ৰস্তুত। মোক মনৰ শান্তি লাগে।"

শুনি সত্যমূৰ্তি দোমোজাত পৰিল। তেওঁৰ এতিয়া তলে শিল ওপৰে কিল অৱস্থা। মহাৰাজো বহি আছে, শিৰদত্তও বৈ আছে। কাক কি ক'ব? 'নিয়ম' মহাৰাজক দেখুৱাইছিল, শিৰদত্তকো। তেওঁ কেনেকৈনো এতিয়া নিয়মৰ অনিয়ম কৰে? আৰু—মহাৰাজেইবা কি কি ক'ব?

সত্যমূৰ্তিয়ে শিৰদত্তক ক'লে তেওঁৰ 'নিয়ম'ৰ কথা।

শিৰদত্তই ক'লে, "মহোদয়, নিয়মৰ মাজতো অনিয়মৰ সুৰুঙা নথকা নহয়। জীৱনত অন্ততঃপক্ষে এবাৰলৈ নিয়মৰ অনিয়ম কৰি চাওক, মোক মোৰ মাতৃমূৰ্তি ওভোতাই দিয়ক।"

মাতৃৰ প্ৰতি শিৰদত্তৰ মৰমে সত্যমূৰ্তিকো বিচলিত কৰি তুলিলে। সত্যমূৰ্তিয়ে সামান্য সময়লৈ ভবা-গুণা কৰি শিৰদত্তক ক'লে, "শুনা, তোমাক

মই এটা সুবিধা দিম। সেই চিত্ৰখনৰ এখন প্ৰতিলিপি মই আঁকিম। তাৰ পাছত এদিন দুয়োখন—আচল আৰু নকল—একেলগে থৈ দিম। তুমি যদি তোমাৰখন বাছি লৈ যাবা পাৰা, লৈ যাবা। এই পৰীক্ষাৰ বিচাৰক হওক স্বয়ং আমাৰ মহাৰাজ।"

শিৰদত্তক এপষৰ পাছত আহিবলৈ কোৱা হ'ল।

পোন্ধৰ দিনৰ অন্তত শিৰদত্ত পুনৰ আহিল। মহাৰাজো তাতেই আছিল। আচল আৰু নকল চিত্ৰখনৰ—দুয়োখনেই কষাকষিকৈ থৈ দিয়া হৈছিল। শিৰদত্তই দুয়োখন অতি কঠোৰভাৱে নিৰীক্ষণ কৰিবলৈ ধৰিলে, আৰু তাৰ পাছত আচল চিত্ৰখন হাতেৰে দাঙি ল'লে।

সত্যমূৰ্তিয়ে ক'লে, "শিৰদত্ত, তুমি বিজয়ী হৈছা। তুমি তোমাৰ চিত্ৰখন লৈ যোৱা।"

মহাৰাজ জয়সেনে দুয়োখন চিত্ৰ নিবিড়ভাৱে নিৰীক্ষণ কৰাৰ অন্তত শিৰদত্তক সুধিলে, "মই দেখোন কোনো পাৰ্থক্যয়েই ধৰিব পৰা নাই এই দুখনৰ মাজত। কেনেকৈনো তুমি আচলখন বাছি উলিয়ালা ?"

শিৰদত্তই ক'লে, "প্ৰতিলিপি—অৰ্থাৎ নকল চিত্ৰখনো শতকৰা এশভাগেই হুবহু কৰা হৈছে। আনকি মোৰ মাতৃৰ কাণৰ ঠিক তলৰ ফালে যিটি বালিৰ দৰে তিল আছে'। সত্যমূৰ্তিদেউৰ দৃষ্টি এৰাব পৰা নাই। কিন্তু নাকফুলৰ বৰণতহে কিঞ্চিত ভুল কৰি পেলালে তেওঁ। নাকফুলত আছিল নীলবৰণৰ বাখৰ এটি, প্ৰতিলিপিখনত ৰঙচুৱা বৰণৰ হৈ থাকিল। এই কথা ভাবি মই বিস্মিত হৈছোঁ যে—ইমান কুশল চিত্ৰকৰ এগৰাকীৰ এই ভুল হ'ল কেনেকৈ। যি কি নহওঁক—তেওঁৰ ভুল হোৱাতহে মোৰ ভাল হৈছে।" এই বুলি হাঁহি হাঁহি কৈ, চিত্ৰখন লৈ, শিৰদত্ত

তাৰপৰা গুচি গ'ল।

শিৰদত্ত গুচি যোৱাৰ পাছত মহাৰাজ জয়সেনে নিজৰ ডিঙিত থকা অমূল্য ৰত্নহাৰ সত্যমূৰ্তিক পিন্ধাই দি ক'লে, "এই ভুল কেনেকৈ হ'ল—মই বুজি পাইছোঁ। তুমি যে দানী—আগতেই জানিছিলোঁ; কিন্তু তুমি যে ত্যাগীও—আজিহে জানিলোঁ।"

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, ঘটনাৰপৰা এই কথা ওলাই পৰে যে—সত্যমূৰ্তিয়ে শিৰদত্তক তাৰ মাতৃৰ আচল চিত্ৰখন দিবলৈ একেবাৰেই ইচ্ছুক নাছিল। তদুপৰি, এবাৰ কিনি লোৱা সামগ্ৰী সত্যমূৰ্তিয়ে নিয়মভংগ কৰি ঘূৰায়ো নিদিয়ে। তথাপি শিৰদত্তক এই সুযোগ কিয় দিছিল? আৰু চিত্ৰৰ প্ৰতিলিপিত সেই যৎসামান্য ভুল হোৱা বাবে মহাৰাজে সত্যমূৰ্তিক 'ত্যাগী' বুলি কোৱাৰ যুক্তিযুক্ততা কি আছিল? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও সঠিককৈ নিদিলে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "শিৰদত্তৰ মাতৃভক্তি তথা মাতৃলৈ মৰমৰ কথা অনুভৱ কৰি সত্যমূৰ্তিয়েও মৰমতে পমি গৈ শিৰদত্তৰ কাৰণে নিয়মভংগ কৰিছিল। আৰু এই নিয়ম ভংগ কৰোঁতে অতি কুশল চিত্ৰকাৰ সত্যমূৰ্তিয়ে নিজ ইচ্ছাৰেই যে নাকফুলৰ বৰণ সলনি কৰাৰ ভুলটি কৰিছিল—মহাৰাজ জয়সেনে সত্যমূৰ্তিৰ 'ত্যাগ'ৰ সেই ৰহস্য বুজি পাই সত্যমূৰ্তিক অতি সংগতভাবেই 'ত্যাগী' বুলি কৈছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[বসুন্ধৰাৰ কাহিনীৰ আধাৰত]

পানীৰ ঔ

মহাৰাজ চিত্ৰসেন আছিল দাগ-শাস্ত্ৰত অতি বিশ্বাসী। দেহৰ অ'ত অ'ত থকা দাগৰ ব্যাখ্যা শুনি তেওঁ নানা ধৰণৰ তাবিজ-কৱচ ফুটা কড়ি পইচা ইত্যাদি দেহৰ অ'ত অ'ত বান্ধিছিল। মহামন্ত্ৰী সুৱৰ্ণই মহাৰাজৰ এইবোৰ অন্ধ-সংস্কাৰৰ অভ্যাস গুচাবলৈ নানাভাবে চেষ্টা কৰিও সফল হোৱা নাছিল।

এদিন চুকুৰীয়া ৰাজ্যৰপৰা শিৱনাথ নামৰ দাগ-বিশেষজ্ঞ মানুহ এজন অহাৰ বাতৰি পায়েই মহাৰাজ চিত্ৰসেনে শিৱনাথক মতাই অনালে আৰু তেওঁৰ দেহস্থ দাগ এটা এটাকৈ পৰীক্ষা কৰি গম্ভীৰ মাতেৰে তাৰ ফলাফলৰ কথা কৈ থাকিল আৰু মহাৰাজে শুনি থাকিল। দাগ-ৰহস্যৰ ফলাফল কৈ থাকোঁতে এসময়ত মহাৰাজৰ সোঁহাতৰ মণিবন্ধৰ ওপৰত থকা দাগটোত শিৱনাথ চকু পৰিল আৰু সেইটো দাগ বহুতো পৰলৈকে পৰীক্ষা কৰাৰ অন্তত শিৱনাথে ক'লে, "মহাৰাজ! এই মণিবন্ধৰ দাগ অতি ভাগ্যশালী দাগ। এই দাগটো আৰু অলপমান ডাঙৰ হোৱাহেঁতেন, আনকি তেঁতেলীৰ গুটি এটাৰ সমানো হোৱাহেঁতেন আপুনি এক বিশাল সাম্ৰাজ্যৰ অধিপতি হ'লহেঁতেন।"

তাতে বৈ থকা মহামন্ত্ৰী সুৱৰ্ণ ই তৎক্ষণাৎ বাহিৰত পৰ দি বৈ থকা প্ৰহৰী এটাক মাতি আনিলে, আৰু তাৰ সোঁহাতৰ মণিবন্ধত থকা আলুগুটিৰ সমান দাগ এটা শিৱনাথক, লগতে মহাৰাজকো দেখুৱালে। এই কাণ্ড দেখি মহাৰাজ বুজিবলৈ একো বাকী নাথাকিল যে এই দাগ-শাস্ত্ৰ আচলতে পানীৰ ঔ!

শিৱনাথৰ কথা নিলিখিলেও হয়। শিৱনাথৰ মুখ ফেঁচাহেন হৈ পৰিল আৰু সি তলমূৰ হৈ যঃ পলায়তি সঃ জীৱতিকৈ গুচি গ'ল।

আৰু সেই দিনাৰেপৰাই মহাৰাজৰো অন্ধ-সংস্কাৰ গুচিল। —লোকেশ্বৰ

ভাৰতৰ পশু-পক্ষী ঃ

ময়ূৰ

ময়ূৰ বা ম'ৰা চৰাই ধুনীয়া পাখিৰে এজাতি ডাঙৰ বনৰীয়া চৰাই। আমাৰ দেশৰ সকলো সুন্দৰ চৰাইৰ মাজত ময়ূৰ বা ম'ৰা চৰাই অন্যতম। বৃহৎ আকৃতিৰ ময়ূৰৰ পেখম অতি আকৰ্ষণীয়। ময়ূৰৰৰ গড় দৈৰ্ঘ্য ১.২ মিটাৰ। পেখম মেলি ময়ূৰে যেতিয়া চালি ধৰি নাচে তেতিয়া দেখাত অতি নয়ন-মনোহৰ হয়। ময়ূৰৰ পেখমত অসংখ্য বৰ্ণ-বিভূষিত। ময়ূৰৰ মূৰৰ ওপৰত থকা তাজ অৰ্থাৎ ফুল আৰু গলধনীয়া খোপাও দেখাত বৰ ধুনীয়া তথা আকৰ্ষক।

ময়ূৰে মেকুৰীৰ দৰে মাউ মাউকৈ মাতে।

ময়ূৰীৰ অৰ্থাৎ মাইকী ময়ূৰৰ পেখম নাই। কিন্তু ময়ূৰীৰ মূৰৰ ওপৰত তাজ বা ফুল নথকা নহয়। ময়ূৰীয়ে এবাৰতে পাঁচ-ছয়টাকৈ কণী দিয়ে। ময়ূৰে নানান ধৰণৰ শস্যবীজ, গছৰ কোমল কুঁহিপাত আৰু সৰুসুৰা কীট-পতংগও খায়।

আমাৰ পুৰাণত ময়ূৰক ভগৱান সুব্ৰহ্মণ্যস্বামীৰ বাহনৰূপে উল্লেখ কৰা হৈছে। চালে চকু ৰৈ যোৱা এই ময়ূৰ হ'ল ভাৰতৰ জাতীয় চৰাই।

স্কেটিঙৰ ঘিটিং !

বম্বেৰপৰা দিল্লীলৈ ১,৬০০ কিল'মিটাৰ। এই পথছোৱা 'ৰোলাৰ-স্কেটিং' কৰি পাৰ কৰিলে বৰোদাৰ এজনী স্কুলীয়া ছাত্ৰীয়ে। নহয়, গিনেজ বুক-ত নাম ছপাবলৈ, বা তেনেকুৱা অন্য উদ্দেশ্য মনত লৈ এইজনী ছোৱালীয়ে এই সাহসিকতাৰ কাম কৰা নাছিল। এই কাম কৰিছিল গুজৰাট ৰাজ্যৰ নৰসাৰীৰ 'কলেজ অভ্ অপ্থালম'লজি'ৰ সাহায্যাৰ্থে। ছোৱালীজনী কিন্তু এই কলেজৰ ছাত্ৰী নহয়।

আঠ বছৰীয়া এই ছোৱালীজনীৰ নাম হ'ল শীতল পাণ্ডেয়। শীতল হ'ল বৰোদাৰ এখন পাঠশালাৰ তৃতীয়মানৰ ছাত্ৰী।

এই ঘটনা যোৱা গৰমকালি অনুষ্ঠিত হৈছিল। মে' মাহৰ প্ৰথম দিনা শীতল বম্বেৰপৰা স্কেটিং কৰি ৰাওনা হৈছিল। তাইৰ লগত তাইৰ দেউতাক জগদীশ পাণ্ডেয় আৰু আন এজনো গৈছিল। এই দুজন এখন মটৰগাড়ীৰে গৈছিল। আৰু বিখ্যাত অভিনেতা, সংসদ-সদস্য সুনীল দত্তৰ আশীৰ্বাদ লৈ শীতলে যাত্ৰা কৰিছিল। মহাৰাষ্ট্ৰ, গুজৰাট, ৰাজস্থান আৰু হৰিয়ানাৰ ৪৩ খন নগৰ অতিক্ৰমি ২২ জুন তাৰিখে শীতলে দিল্লী পাইছিলগৈ। এই বাট-ছোৱাত তাই ২ লাখ টকা সংগ্ৰহ কৰিছিল। বম্বেৰ এখন বিখ্যাত হোটেলে দিল ৫০,০০০ টকা। এক বিখ্যাত ব্যাটাৰি নিৰ্মাতা সংস্থাই শীতলৰ এই যাত্ৰাৰ বন্দৱস্ত কৰিছিল।

কিন্তু এইবাৰৰ এই স্কেটিং শীতলৰ প্ৰথমস্কেটিং নাছিল। তাইৰ বয়স যেতিয়া মাত্ৰ পাঁচ বছৰ, তেতিয়া তাই দিল্লীৰপৰা স্কেটিং কৰি বম্বেলৈ গৈছিল এখন ক্যান্সাৰ হস্পিটালৰ সহায় কৰাৰ বাবে। এবছৰৰ পাছত আহমদাবাদৰ (আমেদাবাদ) পৰা বম্বেলৈকো ৬০০ কিল'মিটাৰ স্কেটিঙেৰে অতিক্ৰম কৰিছিল। সাত বছৰ বয়সত কলিকতাৰ পৰা কানপুৰলৈ ১০০০ কিল'মিটাৰৰ যাত্ৰাস্তত মাদাৰ টেৰিজাই শীতলক আশীৰ্বাদ কৰিছিল।

শীতলৰ এনে সাহসিতকাৰ আঁৰত আছে তাইৰ পিতৃ জগদীশ পাণ্ডেয়। ক্ৰীড়াপ্ৰেমী জগদীশ হ'ল এক অতি বিখ্যাত ক্যামেৰা-নিৰ্মাণ সংস্থাৰ কৰ্মচাৰী। জগদীশে তেওঁৰ জীয়েকৰ মাজত এনে সাহসিক মনোবৃত্তি আৰু লগতে পৰোপকাৰী মনোবৃত্তিৰ স্পষ্ট আভাস পাই তাইক এনেবোৰ কাৰ্য্যত উৎসাহিত তথা অনুপ্ৰাণিত কৰিছিল আৰু প্ৰশিক্ষণো দিছিল। প্ৰশিক্ষণ প্ৰদানৰ এবছৰৰ পাছত 'ম্যাৰাথন স্কেটিং' কৰাৰ বাবে তাইক প্ৰেৰণা দিছিল। শীতলে— এতিয়া দিনৌ ৬০ কি. মি. স্কেটিং অভ্যাস কৰিছে।

তাইৰ স্কেটিং-ক্ষমতাৰ শলাগ বিদেশী লোকসকলেও লওক—শীতলৰ মনত এই সুন্দৰ আকাংক্ষা আছে।

আমি জানো নে ?

১. এলিফাণ্টা গুহা ক'ত অৱস্থিত ?

২. এভাৰেষ্টৰ চূড়ালৈ সৰ্বপ্ৰথমে কোন আৰু কেতিয়া উঠিছিল ?

৩. পোন্ধৰ শতিকাত কোনোবা এগৰাকী মহাত্মাক হিন্দু আৰু মুছলমানেও তেওঁলোকৰ ধৰ্মৰ বুলি দাবী কৰিছিল। এই মহাত্মা কোন আছিল ?

৪. খৃষ্টপূৰ্ব প্ৰথম শতিকাত আমাৰ দেশলৈ অহা এগৰাকী ধৰ্ম-প্ৰচাৰকে বহুতকে খৃষ্টধৰ্মলৈ দীক্ষিত কৰিছিল। আমাৰ দেশতে তেওঁৰ দেহান্ত হৈছিল। তেওঁ কোন আছিল ?

৫. ভাৰতৰ সৰ্বপ্ৰথম মহিলা চিকিৎসক কোন ?

৬. ভাৰতৰ ছুপ্ৰিমক'ৰ্টৰ সৰ্বপ্ৰথম মহিলা বিচাৰপতি কোন ?

৭. ইণ্ডিয়ান এয়াৰলাইনচৰ বিমান সৰ্বপ্ৰথমে কোনে চলাইছিল ?

৮. ভাৰতীয় বিমানবাহিনী কেতিয়া গঠিত হৈছিল ?

৯. ভাৰতীয় বিমান বাহিনীৰ প্ৰথমগৰাকী অধিনায়ক কোন আছিল ?

১০. ভাৰতৰ প্ৰাচীনতম জাহাজ-নিৰ্মাণ সংস্থাৰ নাম কি ? কোনে সেই সংস্থা প্ৰতিষ্ঠিত কৰিছিল ?

১১. আমাৰ দেশত চিলড্ৰেন ফিল্ম ছ'ছাইটিৰ প্ৰতিষ্ঠা কেতিয়া আৰু কিয় কৰা হৈছিল ?

১২. আমাৰ দেশৰ পশু-সম্পদত অতি সমৃদ্ধ ৰাজ্য কোনখন ?

১৩. বাঘ কেতিয়াৰ পৰা আমাৰ জাতীয় পশু হ'ল ?

১৪. ভাৰতত সৰ্বপ্ৰথম কেতিয়াৰপৰা ডাকটিকেট প্ৰচলিত হৈছিল ?

১৫. শিখসকলৰ বাবে অতি পবিত্ৰ তীৰ্থ কোনখন ?

উত্তৰ

১. বম্বেস্থিত এলিফাণ্টা দ্বীপত।

২. ১৯৫৩ চনত। তেনজিং নোৰ্‌গে আৰু এড্‌মাণ্ড হিলাৰি।

৩. কবীৰ।

৪. যিশুখৃষ্টৰ বাৰগৰাকী শিষ্যৰ মাজত এজন, তেওঁৰ নাম ছেইণ্ট থমচ্। তেওঁ কেৰালালৈ ৫২ খৃষ্টাব্দত আগমন কৰিছিল। যোল বছৰৰ পাছত মাদ্ৰাজৰ নিকটস্থ পাহাৰত থকা এক গিৰ্জাত তেওঁক হত্যা কৰা হৈছিল।

৫. ডা° আনন্দবাঈ যোশী। ১৮৮৬ তেওঁ আমেৰিকাৰপৰা এম. ডি. হৈ আহি এই মহিলা চিকিৎসকে মহাৰাষ্ট্ৰত চিকিৎসাবৃত্তি অৱলম্বন কৰিছিল। ১৮৮৭ চনত তেওঁৰ মৃত্যু হৈছিল।

৬. কেৰল ৰাজ্যৰ জাষ্টিচ ফতিমা বিবি।

৭. জে. আৰ. ডি. টাটা।

৮. ১৯৩২ চনৰ ৮ অক্টোবৰ।

৯. সুব্ৰত মুখাৰ্জি।

১০. বিশাখপত্তনম হিন্দুস্থান শ্বিপইয়াৰ্ড, বম্বেস্থিত সিন্ধিয়া ষ্টিম নেভিগেশ্বন কম্প্যানি।

১১. শিশু-চলচ্চিত্ৰ অধিককৈ নিৰ্মাণৰ বাবে, ১৯৫৫ চনত প্ৰতিষ্ঠিত হৈছিল।

১২. উত্তৰপ্ৰদেশ।

১৩. ১৯৭২ চনত। তাৰ আগলৈকে সিংহ আছিল ৰাষ্ট্ৰীয় পশু। সিংহৰ সংখ্যা কমাত হ'ল বাঘ।

১৪. ১৮৫২ চনৰপৰা।

১৫. অমৃতসৰত অৱস্থিত গুৰুদোৱাৰা হৰমিন্দৰ ছাহিব (স্বৰ্ণমন্দিৰ)।

শিৱভক্ত মলুৱা !

দিল্লীস্থিত এখন শিৱদ'লৰ কাষতে এজোপা গছত এটা মলুৱা আছিল। এই বান্দৰটোৱে প্ৰতিদিন পুৱা চাৰি বজাত গছৰপৰা নামি আহি মন্দিৰত সোমাই শিৱমূৰ্তিৰ আগত হাতযোৰ কৰি ভক্তি-ভাবেৰে থিয় হৈ থাকিছিল আৰু তাৰ পাছত গুচি গৈছিল। ৰাতিপুৱা যিসকল ভক্ত দৰ্শনাৰ্থী আহিছিল, তেওঁলোকে এই বিচিত্ৰ দৃশ্য চাই তধাউৰি খাইছিল। এইদৰে দহ বছৰ পাৰ হ'ল। যোৱা নৱেম্বৰৰ মাহত এই শিৱভক্ত মলুৱাটি মৰিল। ভক্তসকলে শিৱভক্ত মলুৱাটিৰ দেহ গংগাজলেৰে স্নান কৰাই পবিত্ৰ কৰি কমেও বিহ হাজাৰ মানুহৰ শোভযাত্ৰাৰে শ্মশানলৈ লৈ গৈছিল আৰু তাত শাস্ত্ৰোক্ত বিধিৰে দাহ কৰিছিল !

সম্বাদ-বি-সম্বাদ

কাউৰী হ'ল কাউৰীয়া !

বিশ্বাস কৰক বা নকৰকেই, জাপানৰ কিছাকটা নামৰ সাগৰতীৰৱৰ্তী চহৰৰ খেতি-বাতি কৰা মানুহৰ শস্যৰ এক বুজন অংশ কাউৰীবোৰে খাই, নষ্ট কৰি বছৰেকত ৭৫০০ আমেৰিকান ডলাৰ মূল্যৰ শস্যৰ ক্ষতি কৰে। আন একোপধ্যে কাউৰীবোৰক কাউৰীয়া কৰিব নোৱাৰি উগ্ৰ খং উঠি কাউৰীবোৰক মাৰি খোৱা হ'ল। যোৱা তিনি বছৰ ধৰি প্ৰতি মাহত কমেও দুশকৈ কাউৰী মাৰি সেই কাউৰীৰ মঙহেৰে ৰৰভোজ খাই কাউৰী-বোৰক শেহান্তৰত কাউৰীয়া কৰিব পৰা হ'ল !

সাহেই সিদ্ধি

ৰণজিত নামৰ যুৱকজনে চাকৰিৰ ৰণত জিকিলে, যদিও চাকৰিৰ চকৰি ঘূৰাবলৈ যি নগৰত থাকিব লাগিব সেই নগৰত বহা-ঘৰ এটা বিচাৰি উলিয়াব নোৱাৰিলে। ভাড়ালৈ লোৱাৰ বাবে ঘৰ এটা বিচাৰি বিচাৰি হাৰাশাস্তি হৈ যেতিয়া ঘৰ ভাড়ালৈ পোৱাৰ আশা ত্যাগ কৰিলে, তেতিয়া ধনেশে ৰণজিতৰ ৰাইজ ঔ ৰজাৰ শৰণবিধৰ অবস্থাৰ কথা গমি তাক ক'লে, "শুনা, এই চহৰৰ উত্তৰ-সীমাত মোৰ এটা ঘৰ আছে। কিন্তু সেই ঘৰটোক ৰাইজে ভূতৰ ঘৰ বুলি কয়, আৰু তাৰ কাৰণে ঘৰটোত আমি কোনেও থকা-মেলা নকৰোঁ — কোনেও সেই ঘৰটোৰ কাষেদিও নাযায়। তুমি যদি তাত থাকাগৈ—থাকিব পাৰা যদি—থাকা। ঘৰৰ ভাড়া হিচাপে তুমি এক পইচাও ভৰিব নালাগে।"

শুনি ৰণজিতৰ গা-মন ৰণজিত ৰণজিত লাগিল। সি তেতিয়াই ধনেশৰ সেই এবা-ঘৰলৈ বুলি খোজ ল'লে।

ঘৰটোলৈ একদৃষ্টে চাই থাকিল ৰণজিতে। ভূত থাকক বা নাথাককেই— ঘৰটো যে আওহতীয়া—অহিনকোণীয়া— সেই কথাত কোনো সন্দেহ নাই। যি কি নহওক, ৰণজিতে ঘৰটোৰ আলি-আন্ধাৰি যেন লগা খটখটিয়েদি উঠি গৈ থাকিল ওপৰমহলালৈ।

খটখটিয়েদি গৈ গৈ ৰণজিত যেতিয়া এটা বন্ধ হৈ থকা কোঠাৰ আগত ৰ'লগৈ তেতিয়া কোঠাৰ দুৱাৰৰ তলাটো আৰু দুৱাৰৰ কপাট দুখন আপোনা-আপুনি

শান্তিময় শইকীয়া

খোল খাই গ'ল। ৰণজিতৰ বুকৰ ভিতৰত চিৰিংকৈ উঠিল, যদিও দমি যোৱাৰ বা ভয় খোৱাৰ হাৱ-ভাব মুখেৰে প্ৰকাশ নকৰিলে আৰু সি কোঠাৰ ভিতৰলৈ সোমালগৈ।

হঠাৎ ৰণজিতৰ দুচকুৰ আগত গুলুম বন্ধা ডাঠ ধোঁৱাৰ দৰে এক অস্পষ্ট প্ৰতিমূৰ্তিৰ সৃষ্টি হ'ল।

সেই গুলুথ বন্ধা ধোঁৱাই কৈ উঠিল, "মই এই ঘৰত থকা বৰভূত। মোৰ লগত আন কেইবাজনো আছে, সিহঁতো ইয়াতে থাকে। তুমি যদি ইয়াতে থাকিবা বুলি আহিছা, মোৰ কথা মানি চলিব।"

ৰণজিতে বৰভূতক নমস্কাৰ কৰি ক'লে "মই এই ঘৰতে থাকিম। তোমাৰ কথা মই আখৰে মানি চলিম, কথা দিলোঁ।"

তেতিয়া বৰভূতে আন তিনিজনী ভূতুনীক ৰণজিতৰ সৈতে চিনাকি কৰাই দিলে, "এই হ'ল মোৰ পত্নী—মানে—প্ৰেতিনী, আৰু এই দুজনী হ'ল মোৰ বেটী। এই দুজনীৰ মাজত কোনজনী দেখাত চকু ৰৈ যোৱা—তুমি ভালকৈ গমি-পিটি ক'ব লাগিব। —চাবা—কোনো এজনীৰো খং নুঠে যেন তোমাৰ কথাত।"

ৰণজিতে দুয়োজনী ছোৱালী ভূতুনীলৈ চাই থাকিল আৰু সিহঁত দুজনীয়ে দাঁত নিকটাই ৰণজিতলৈ চাই থাকিল।

ৰণজিতে এই গাভৰু ভূতুনী দুজনীৰ মাজত বৰ জনীলৈ আঙুলিয়াই ক'লে, "দুজনীৰ মাজত এইজনীয়েই হ'ল বেছি ধুনীয়া। এইজনী ইমান ধুনীয়া যে—যিকোনো ভাল ভূতেই এইজনীক এক কথাত বিয়া কৰাই পেলাব।"

তেতিয়া এই ভূতুনীয়ে তাইৰ দেউতাক বৰভূতক ক'লে, "এই মানুহজনে ঠিক কথাকে কৈছে। মই হাবিলৈ যাম, ভাল ভূত এটা পাওঁ যদি ধৰিম, আৰু ধৰিয়েই কপক্‌কৈ গিলি পেলাম—মানে—বিয়া কৰাম।" এই বুলি কৈয়েই তাই

ধোঁৱাৰ নিচিনা হৈ মাৰিলে উৰা, পালেগৈ হাবি সাতপুৰা।

কিন্তু সৰুজনী ভূতুনী গাভৰুৰ উঠিল ফাই, সেইহে কক্‌ককাই ক'লে তাই, "হেৰা মানুহৰ পো, আচলতে তুমি এটি ভাবনাৰ ছোঁ।" এই বুলি কৈ তাই মুখ ওন্দোলাই ঘৰৰ একুকত বহি থাকিলগৈ।

ৰণজিত এখোজ-দুখোজকৈ তাইৰ কাষ চাপিল, আৰু চটুৰাই জোল খুৱাবলৈ চেষ্টা কৰি ক'লে, "আচলতে—ধুনীয়াবো ধুনীয়া তুমি হে। তাইক চটুৰাই জোল খুৱালোঁ বুলিহে তাই ঘৰ এৰি ভূত এটাক বিচাৰি হাবিলৈ গ'ল, আৰু তোমাৰে-মোৰে কাম সিজিল।"

"তুমি মোক ভাঁৰিছা।"

"শুনা, এইবোৰ ভাঁৰণ-তাৰণত মই নাই। মোক লাগে প্ৰকৃত ধুনীয়াৰো ধুনীয়া ছোৱালী, তেহে গাম কাৱালী। মই নহওঁ গৰু, সেইহে লাগে সৰু।"

"তোমাৰ কথা যদি সঁচা—মোকেই বিয়া নকৰোৱা কিয় বাচা?"

তেতিয়া সৰু ভূতুনীক ৰণজিতে ক'লে, "মই হ'লোঁ মানুহ আৰু তুমি হ'লা ভূতুনী। আমাৰ মাজত হিয়া দিয়া-নিয়া হ'লেও বিয়া হ'ব নোৱাৰে।"

ইতিমধ্যে বৰভূত তালৈ আহিল আৰু তেতিয়া সৰু ভূতুনীয়ে বৰভূতক ক'লে, "দে'তা—দে'তা, এই মানুহজনে মোক বিয়া কৰাব বুলি কথা দিলে।"

শুনি বৰভূত আৰু তাৰ ঘৈণীয়েকে টিকা কোবাবলৈ ধৰিলে।

ৰণজিতে কৈ উঠিল, "তিনিনাচ পাছতো মাৰিবা। 'কৰাম' বুলি ক'লেই বিয়া কৰোৱা নহয়। মোক যৌতুক লাগিব যে জানিছানে নাই? যৌতুক!"

"দিম বাৰু যৌতুক, কৰা নাই কৌতুক। কি লাগে কোৱা, আৰু কোৱা বৰভূতে জাঁপি মাৰি মাৰি ক'লে, মতে লোৱা।"

মোক এই ঘৰটোকে যৌতুক হিচাপে

দিয়া, বছ, মোক আন একো নালাগে।" ৰণজিতে ক'লে।

"দিলোঁ ঘৰটো।" বৰভূতে ক'লে।

"কিন্তু এই ঘৰত—কেৱল মই আৰু মোৰ পৰিবাৰেহে থাকিম এই ঘৰটোত। তোমালোক আন ক'ৰবালৈ থাকিবাগৈ।" ৰণজিতে ক'লে।

"এই কথা—অনিয়ায়কথা। আমি বুঢ়া-বুঢ়ী ইয়াতে থাকোঁ যদি—তোমালোকৰ ক্ষতিনো কি?" বৰভূতে ৰণজিতক সুধিলে।

"তোমালোক ইয়াত থাকিলে মোক মানুহে ঘৰজোঁৱাই বুলিহে ভাবিব।"

"ঠিক আছে—" বৰভূতে ক'লে, "আমি এতিয়াই আন ক'ৰবালৈ গুচি গৈছোঁ। আমাৰ ছোৱালীজনী সুখে-সন্তোষে থাকিলেই আমাৰো সুখ।"

মাক—ভূতুনীয়ে এই ঘৰ এৰি গুচি যোৱাৰ আগতে ছোৱালী ভূতুনীক নানান উপদেশ দিলে—মানুহ-গিৰিয়েকৰ লগত কেনেকৈ থাকিব লাগিব, কি আচৰণ কৰিব লাগিব ইত্যাদি বহুতো কিবাকিবি ক'লে।

বৰভূত—ভূতুনী গুচি যোৱাৰ পাছত ৰণজিতে সৰু ভূতুনীক ক'লে, "তোমাৰ মাৰা-দেউতাৰা আৰু বায়েৰাক ইয়াৰপৰা খেদোৱাত মই বাস্তৱিকেই দুঃখিত।"

সৰু ভূতুনীয়ে ক'লে, "তুমি যি কৰিলা, ভালেই কৰিলা। আমাৰ মা দেউতা মানুহ হৈ থাকোঁতে আমাৰ বাই-ভনীৰ বিয়া খাটাং কৰিছিল। কিন্তু ঠিক তেতিয়াই আমাৰ মাটি-বাৰীখিনি ধনেশ নামৰ মানুহ এজনে নানান ফন্দি-ফুন্দা কৰি নিজৰ নামত লিখাই ল'লে। বিয়াৰ দিন-খেণ খাটাং হোৱা সত্বেও বিয়া নোহোৱাত অপমান পাই বাইদেৱে চিপজৰী ল'লে, ময়ো গাত জুই লগালোঁ, পাছত মা-দেউতাই বিষ খাই মৰিলে। আমি সেই ধনেশৰ ওপৰত প্ৰতিশোধ ল'ব

খুজিছিলোঁ। কিন্তু এতিয়া তুমি মোক বিয়া কৰালা, গতিকে—এতিয়া আৰু মোৰ আৰু সেই ইচ্ছা নাই।"

"তেনেহ'লেনো তুমি কিয় এতিয়াও ভূতুনী হৈ আছা?" ৰণজিতে সুধিলে।

বছ! সৰু ভূতুনী লগে লগে অদৃশ্য হৈ গ'ল। তাইৰ প্ৰেতযোনিয়ে মুক্তি লভিলে।

ৰণজিতে তাতেই ৰাতি কটালে। পাছদিনা ৰণজিতে ধনেশক সকলো কথা বিবৰিলেগৈ।

সকলোখিনি শুনি ধনেশে ৰণজিতক ক'লে, "তুমি সকলো ফালৰেপৰাই যোগ্য মানুহ। তোমাৰ যদি আপত্তি নাই—মই তোমাক মোৰ জোঁৱাই হিচাপে ল'ব খুজিছোঁ আৰু সেই ঘৰটো তোমাক যৌতুক হিচাপে দিব খুজিছোঁ। কিন্তু এটা কথা; মই আৰু মোৰ পৰিবাৰেও মানে—আমি আমাৰ ছোৱালীক এৰি থাকিব নোৱাৰিম—। গতিকে—সেই একেটা ঘৰতে আমিও থাকিমগৈ। এই বিষয়ে তোমাৰ মত কি কোৱা।"

ধনেশৰ ছোৱালীজনী দেখাই-মেলাই আছিল প্ৰকৃততেই ভাল। গতিকে ৰণজিতে বিয়াৰ এই প্ৰস্তাৱ মানি ল'লে, কিন্তু তথাপি ক'লে, "কিন্তু ঘৰ-জোঁৱাই হৈ থকাতকৈ বৰলা-ভাত খোৱাও ভাল। আৰু—যৌতুকলৈ মোৰ ইমান যে ঘৃণা! সেইবোৰ মোক নালাগে—নোছোওঁ। মোৰ চাকৰি আছে। দৰমহা পাওঁ, তাৰেই চলি যাব।"

এই কথা শুনি ধনেশে ৰণজিতক বুকুত সাঁকোৱালি লৈ ক'লে, "বোপা, মোৰ এটা কথা মানিবা, বিয়াৰ পাছত অন্ততঃপক্ষে তোমালোক সেইটো ঘৰতে থাকি ঘৰটোৰ 'ভূতৰ ঘৰ' নাম গুচাবা।"

এই প্ৰস্তাৱত ৰণজিতে সন্মতি দিলে আৰু তাৰ পাছত এদিন মহাধুমধামেৰে ধনেশৰ জীয়েক ধীৰাক বিয়া কৰালে।

খেচাৰত

কথা বহু দিনৰ আগৰ। সুৰথপুৰ নামৰ সৰু গাঁও এখনত ৰামবিলাস নামৰ এজন বেপাৰী আছিল। ৰামবিলাস বেপাৰীৰ আয়-উপাৰ্জন ভালেই, কিন্তু আৰ্জনৰ পইচা বৰ্জন কৰাত—অৰ্থাৎ খৰচ কৰাতহে ৰামবিলাস ৰহীয়া পৰা হয়। আনকি নিজৰ কাৰণেও সি খৰচ কৰাত হাত কোঁচায়।

এদিন কিবা এটা কামত চুবুৰীয়া গাঁৱলৈ বুলি গৈ থাকোঁতে খেজুৰজোপাত পকি থকা খেজুৰবোৰ দেখি ৰামবিলাসৰ বৰ লোভ লাগিল। কিন্তু গছ-বগোৱাৰ কায়দা-কিটিপ বেচেৰাই নাজানে। কি কৰিব—কি নকৰিব ভাবি ভাবি শেহান্তৰত খেজুৰজোপাত উঠিল আৰু পকি ৰসাল হৈ থকা খেজুৰবোৰ ছিঙি ছিঙি খাই থাকিল।

তাৰ পাছত—ৰামবিলাস যেতিয়া গছ-জোপাৰপৰা নামিবলৈ যো-জা কৰি থাকিল, তেতিয়া তাৰ মনত ভয় সোমাল। সি তললৈ চালে আৰু খেজুৰজোপা অতল পাতালতহে সোমাই থকা যেন পালে। হাত-ঠেং এৰা হৈ তললৈ পৰি মৰিব যেনহে লাগিল তাৰ। উপায় নেদেখি সি ভগৱানলৈ প্ৰাৰ্থনা কৰি ক'লে যে—ভগৱানে তাক যদি এই বিপদৰপৰা তাৰে, তেনেহ'লে তেওঁৰ নামত সি এহেজাৰ মানুহক ভোজ খুৱাব।

এইদৰে মানস কৰাত তাৰ বুকুত বল-শক্তি বাঢ়িল আৰু খেজুৰজোপাৰপৰা নামিবলৈ ধৰিলে। অলপমান নামি অহাৰ পাছত সি ভাবিলে : ক'তা—পাতাল-টাতাল নহয় দেখোন, বৰ বেছি ওখ নহয়। তথাপি, ভগৱানক কৈছোঁৱেই যেতিয়া

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’



ভোজ—খুৱামেই, পিছে এহেজাৰ নালাগে, পাঁচশ মানেৰেই হৈ যাব।

গছজোপাৰ আধামান যেতিয়া পালেহি, তেতিয়া ভাবিলে ৰামবিলাসে: কথাতে বোলে—মূৰ্খ-ই ভোজ পাতে চালাকে খায়। কিন্তু—ভগৱানৰ ওচৰত মানস কৰিলোঁৱেই যেতিয়া—খুৱা মেই পিছে—পাঁচশ নালাগে, এশৰেই চেৰ হ'ব।

তাৰ পাছত—গছজোপাৰপৰা নামি আহি যেতিয়া মাটিৰ ওপৰত থিয় দিলে, তেতিয়া সি ভাবিলে: বাৰু, এশ কেলেবাঙক ভোজ খুউৱাৰ সলনি এগৰাকী সদ্‌ব্ৰাহ্মণক খুৱালেনো নহ'বনে? নিশ্চয় হ'ব লাগে। হাজাৰ হওক—বামুণ বোলা কথা। গতিকে—সেইবোৰ কেলো-কেচো কৰা কেলেহুৱাজাকক নুখুৱাই সদ্ কুলীন ব্ৰাহ্মণ এগৰাকীকে খুৱালেই বছ হৈ যাব।

কিন্তু তথাপি লেঠা এটাত পৰিল। সদ্‌ব্ৰাহ্মণেইবা পায় ক'ত? তথাপি ভাবি ভাবি ৰামবিলাসে ৰাম মন্দিৰৰ হাড়ে-ছালে লগা পূজাৰীটোকে নিমন্ত্ৰণ কৰিলেগৈ পাছদিনা তাৰ ঘৰত খাবলৈ।

ৰামবিলাসে তাৰ পৰিবাৰক টানি ক'লে যে—যিমান কম খৰচত হয়, পূজাৰী ৰামশাস্ত্ৰীক খুৱাব লাগিব। এই বুলি কৈ, ৰামবিলাস ঘৰৰপৰা ওলাই তাৰ এক দূৰণিবটীয়া আত্মীয়ৰ ঘৰলৈ গুচি গ'ল।

পাছদিনা কথা মতে ৰামশাস্ত্ৰী আহিল ৰামবিলাসৰ ঘৰলৈ। দুপৰীয়া খোৱা-বোৱা কৰিলে। কিন্তু আহাৰৰ অন্তত তামোল-পাণৰ বটাত কোনো দক্ষিণাৰ টকা-সিকা নেদেখি ৰামশাস্ত্ৰীয়ে ৰামবিলাসৰ পৰিবাৰক ক'লে, "ব্ৰাহ্মণভোজন কৰাই দক্ষিণা নিদিলে গৃহস্থৰ অপায়-অমঙল হ'ব পাৰে। গতিকে—কমেও দুটা টকা দিব লাগে।"

পাছদিনা ৰামবিলাস ঘৰলৈ উভতিল, আৰু ৰামশাস্ত্ৰীয়ে খোৱাৰ উপৰিও নগদে নগদ টকা দুটা লৈ যোৱাত ৰামবিলাসে

পৰিবাৰক হোৰা-নোহোৰাই গালি পাৰিলে আৰু তাৰ লাঠীডাল হাতত লৈ ক'লে, "চাই থাকা, মই এইবাৰ তাক—বদমাছ বামুণটোক কি খুৱাই আহোঁ—তুমি মাত্র চাই থাকা।"

ৰামৰিলাসে যে টকা দুটাৰ লোকচান মানি নল'ব, পূজাৰী ৰামশাস্ত্রীয়ে উমানতে ধাৰণা নকৰাকৈ নাছিল। ৰামবিলাসক আহি থকা দেখা পায়েই ৰামশাস্ত্রীয়ে তাৰ ল'ৰা শ্যামলালক কথাখিনি বুজাই কৈ খাট এখনত দীঘল দি পৰি কেঁকাই থাকিল আৰু ৰামশাস্ত্রীৰ পৰিবাৰ আৰু পুত্ৰয়ো উচুপি থাকিল।

ৰামবিলাস অহাৰ লগে লগেই ৰামশাস্ত্রীৰ পুতেকে কৈ উঠিল, "ৰামবিলাস খুড়া, আমিনো আপোনাৰ কোন পকা ধানত মৈ দিছিলোঁ যে আপুনি আমাৰ দেউতাক নিমন্ত্রণ কৰি ভোজ খুউৱাৰ ছলত বিষ খুৱালে! আমাৰ গাঁৱৰ ৰতন বৈদ্য ডাঙৰীয়াক মাতি আনিবলগাত পৰিলোঁ, তেওঁ পঁচিছ টকা লৈ গ'ল আৰু কৈ গ'ল যে খাদ্যৰ বিষক্রিয়া সম্পূর্ণ ভাল কৰোঁতে আৰু কিছু খৰচ হ'ব। আমি এই কথাৰ বিচাৰৰ বাবে গাঁওবুঢ়াৰ ওচৰলৈ যাম। আপুনিও যাব লাগিব।"

ৰামবিলাসে ভাবিলে : গাঁওবুঢ়ায়ো নিশ্চয় মোকেই জগৰীয়া কৰিব আৰু সি বেটাই কিজানি এশ বা তাতকৈ বেছিয়েই জৰিমানা কৰিব। তাতকৈ—কথাটোৰ ফয়ছালা ইয়াতে কৰা ভাল হ'ব। ৰামবিলাসে শ্যামলালক লাহেকৈ ক'লে, "বোপা, এই কথাত গাঁওবুঢ়াৰ ওচৰলৈ গৈ কি হ'ব? বেজালিৰ খৰচ ময়েই ভৰিম। চিন্তা নকৰিবা।" খন্তেকমান ৰৈ ৰামবিলাসে ক'লে, "বোপা, বিষ আচলতে মইহে খালোঁ, পকা খেজুৰত যে ইমান বিষ—আগে নাজানিলোঁ বুলিহে এনে অথন্তৰত পৰি খেচাৰত ভৰিবলগা হলোঁ।"

বীৰ হনুমান

২০

বিভীষণৰ বিৱৰণ হনুমানৰ মুখে শুনাৰ অন্তত শ্ৰীৰামচন্দ্ৰই ক'লে, "বিভীষণ দুষ্টমতি হোৱাহেঁতেন তেওঁ আমাৰ শৰণ ল'বলৈ নিশ্চয় নাহিলহেঁতেন মোৰ এই ধাৰণ হৈছে। আৰু—যিহেতু শৰণ ল'বলৈ আহিছে, মই নিশ্চয় উপেক্ষা প্ৰদৰ্শন কৰিব নোৱাৰোঁ।"

সুগ্ৰীৱে ভাবিছিল যে বিভীষণে নিশ্চয়—তেওঁৰ ককায়েক ৰাৱণক পৰিত্যাগ কৰি গুচি আহিছে। এনেবোৰ সুবিবাদীক যে আশ্ৰয় বা প্ৰশ্ৰয় দিব নালাগে—বা এইবোৰৰ ওপৰত কোনো ধৰণৰ নিৰ্ভৰতা তথা বিশ্বাস ৰাখিব নাপায়, সুগ্ৰীৱে সেই কথা অন্তৰ উজাৰি খোলাখুলিকৈ শ্ৰীৰামচন্দ্ৰক ক'লে।

কিন্তু ৰামচন্দ্ৰ তেওঁৰ নিজৰ মতত অটল হৈ থাকিল। তেওঁ লক্ষ্মণক ক'লে, "জ্ঞাতি-বিৰোধ অতি সাধাৰণ কথা। নিজৰ জ্যেষ্ঠ ভ্ৰাতাৰ ভয়ত পৰি বিভীষণ ইয়ালৈ গুচি আহিছে। বিভীষণে হয়তো লংকাৰ ৰজা হ'ব খুজিছে, আৰু সেইহে আমাৰ লগ লাগিবলৈ চেষ্টা কৰিছেহি।"

ৰামচন্দ্ৰই বিভীষণক এনতিপলমে মতি আনিবলৈ আদেশ কৰাত সুগ্ৰীৱে বাধ্যত পৰি বিভীষণক ৰামচন্দ্ৰৰ ওচৰলৈ লৈ আহিলগৈ।

আন চাৰিও ৰাক্ষসবীৰ সৈতে বিভীষণ তৎক্ষণাৎ ৰামচন্দ্ৰৰ ওচৰলৈ আহিল, আৰু

'সাগৰ-বন্ধনৰ-সূত্ৰ'

আহিয়েই ৰামচন্দ্ৰৰ চৰণবন্দনা কৰাৰ অন্তত শ্ৰীৰামচন্দ্ৰক ক'লে, "মই লংকাধিপতি প্ৰতাপশালী ৰাৱণৰ কনিষ্ঠ ভ্ৰাতা বিভীষণ। মই ন্যায়ৰ পক্ষাৱলম্বন কৰি মোৰ বন্ধু-বান্ধৱ, গৃহ-পৰিবাৰ আৰু সমগ্ৰ ধন-সম্পত্তি পৰিত্যাগ কৰি গুচি আহিলোঁ। হে ৰামচন্দ্ৰ! এতিয়াৰপৰা মোৰ জীৱন তথা মোৰ সুখ-শান্তি—সকলো আপোনাৰ হাতলৈ সঁপিছোঁ।"

শ্ৰীৰামচন্দ্ৰই ৰাক্ষসৰাজ্যৰ তথা ৰাৱণৰ বিশদ বিবৰণ বিচাৰ কৰাত বিভীষণে কৈ থাকিল:

"লংকাধিপতি ৰাৱণ ব্ৰহ্মাৰপৰা বৰপ্ৰাপ্ত বীৰশ্ৰেষ্ঠ। কোনো গন্ধৰ্ব, নাগ, ৰাক্ষস বা ভূত-প্ৰেতে কোনো অৱস্থাতে ৰাৱণক পৰাজিত কৰিব নোৱাৰিব। লংকেশ ৰাৱণৰ অনুজ আৰু মোৰ জ্যেষ্ঠ ভ্ৰাতা কুম্ভকৰ্ণ ইন্দ্ৰসম পৰাক্ৰমী। মহাপ্ৰতাপী মহাৰাজ ৰাৱণৰ পুত্ৰ ইন্দ্ৰজিৎ অতি যুদ্ধ-কৌশলী আৰু যুদ্ধ কৰি থাকোঁতে অদৃশ্য হৈ পৰাত সক্ষম। ৰাৱণৰজা সৈন্যবাহিনী তথা সৈন্যাধ্যক্ষসকলো সবিশেষ সুদক্ষ তথা সেই বাহিনীও বিশাল। বল-পৰাক্ৰমত ৰাৱণৰ সেনাধিপতি দিক্‌পালৰ সমান।"

এইবোৰ শুনাৰ অন্তত শ্ৰীৰামচন্দ্ৰই বিভীষণক ক'লে, "মই মহাপ্ৰতাপী মহাৰাজ ৰাৱণক বধি—হে বিভীষণ,

তোমাকেই লংকাৰ ৰজা পাতিম বুলি মনস্থ কৰিছোঁ। দুষ্টমতি ৰাৱণক সমুচিত শিক্ষা প্ৰদানান্তেহে মই অযোধ্যালৈ উভতিম। মই মোৰ ভাতৃ লক্ষ্মণৰ নামত এই অংগীকাৰ কৰিছোঁ।"

এই কথাশুনি, কৃতজ্ঞতাৰে পমি, বিভীষণে শ্ৰীৰামচন্দ্ৰক সাষ্টাংগে প্ৰণমি ক'লে, "ময়ো মোৰ সাধ্যানুসৰি ৰাক্ষস নিধন কৰাত তথা লংকা-বিজয়ত সহায়তা প্ৰদান কৰিবলৈ অংগীকাৰ কৰিছোঁ।"

তাৰ পাছত বিভীষণক সুগ্ৰীৰ আৰু হনুমানে একান্তভাবে সুধিলে যে বানৰে কেনেকৈ সাগৰ পাৰ হৈ লংকা পাবগৈ পাৰিব—সেই বিষয়ে, বিভীষণে কিবা উপায় দিব পাৰিবনে কি।

এই প্ৰশ্নৰ উত্তৰত বিভীষণে ক'লে "শ্ৰীৰামচন্দ্ৰই সমুদ্ৰৰপৰা সহায় খুজিলেই এই কাৰ্য্য সুকলমে সম্পন্ন হ'ব। শ্ৰীৰামচন্দ্ৰৰ উপৰিপুৰুষ সগৰে একালত সমুদ্ৰক অভাৰিতভাবে সহায় কৰিছিল, গতিকে এতিয়া তাৰ প্ৰতিদান খুজিলে সমুদ্ৰই উপেক্ষা কৰিব নোৱাৰিব।"

বিভীষণৰ এই কথা সুগ্ৰীৱে ৰাম-লক্ষ্মণক কোৱাত ৰামচন্দ্ৰ অতি তুষ্ট হ'ল, কিন্তু তথাপি এই বিষয়ে সুগ্ৰীৱ আৰু লক্ষ্মণৰো মতামত বিচাৰিলে। লক্ষণ আৰু সুগ্ৰীৱে ৰামচন্দ্ৰৰ তথা বিভীষণৰ মত সৰ্বান্তঃকৰণৰে সমৰ্থন কৰিলে।



সমুদ্ৰতীৰ পাইছেহি। মই ওপৰি ওপৰি চাই আহিলোঁ, ভালকৈ চাবলৈ আন কাৰোবাক পঠালে ভাল।"

লংকেশ ৰাৱণে শুক নামৰ ৰাক্ষসক সুগ্ৰীৱৰ ওচৰলৈ গৈ তেওঁৰ নাম লৈ এইখিনি কথা সুগ্ৰীৱক ক'বলৈ ক'লে:

"হে সুগ্ৰীৱ, হে বানৰ ৰাজ! ৰামৰ পত্নী সীতাক লংকালৈ লৈ যোৱাত তোমাৰনো কি হানি হৈছে? প্ৰকৃতপক্ষে এই ঘটনাত তোমাৰ পক্ষে দুঃখিত বেদনাৰ্ত হোৱাৰ একো নাই। তুমি বুদ্ধিমান ৰজা। তোমাৰ নিজৰ স্বাৰ্থতে এই ঘটনাৰ সৈতে সাঙোৰ খাই নপৰাটোৱেই বিধেয়। ভালকৈ নিজ হিতৰ কথা ভাৰি কিষ্কিন্ধ্যালৈ উভতি যোৱা। দেৱতা-গন্ধৰ্বয়ো যিস্থলত লংকালৈ যাব নোৱাৰে, তোমালোকে কেনেকৈ যাবা? এই আশা দুৰাশা মাথোন।"

ৰাক্ষস শুকে পক্ষী ৰূপ ধাৰণ কৰি বানৰসৈন্য অৱস্থান কৰি থকা সমুদ্ৰৰ উত্তৰ তীৰ পালেগৈ। শুকে আকাশত উৰি উৰি আকাশৰেপৰাই ৰাৱণে ক'বলৈ আজ্ঞা কৰি পঠোৱা কথাখিনি সুগ্ৰীৱক ক'লে।

শুকক বধিবলৈ কিছুমান বানৰ আকাশলৈ উঠিল আৰু শুকক তাত থাপ মাৰি ধৰি তললৈ দলিয়াই পেলালে।

তাৰ পাছত শ্ৰীৰামচন্দ্ৰই সমুদ্ৰতীৰত কুশ-শয্যাত শয়ন কৰিলে।

*

ঠিক তেতিয়াই ৰাৱণৰ গুপ্তচৰ শাৰ্দূল তালৈ আহিল, তাত থকা অগণন বানৰ-সৈন্যৰ ৰেখ কৰি চালে, আৰু তাৰ পাছত লংকেশ ৰাৱণক এইদৰে বিবৰিলে:

"হে ত্ৰিজগতবিজয়ী মহান মহাধিপ লংকেশ! ৰামচন্দ্ৰৰ বানৰ আৰু ভল্লুক-সেনাও দেখাত আন এক সমুদ্ৰহেন সুবিস্তীৰ্ণ। ৰাম আৰু লক্ষ্মণ অস্ত্ৰশস্ত্ৰেৰে সুসজ্জিত হৈ সীতাদেৱীক উদ্ধাৰিবলৈ সৰ্বতোপ্ৰকাৰে সাজু হৈ আছে। এওঁলোকে



তেতিয়া শুকে ৰামচন্দ্ৰক ক'লে, "হে ৰাম! দূতক বধিব পাৰিনে? বানৰবিলাকে মোক মাৰি পেলাব—বানৰবিলাকক ৰখোৱা!"

তেতিয়া শ্ৰীৰামচন্দ্ৰই তৃণ-শয্যা এৰি উঠি বহিল আৰু বানৰসকলক ক্ষান্ত হ'বলৈ ক'লে। লগে লগে শুকে পুনৰ ডেউকা কোবাই আকাশলৈ উঠিল আৰু সুগ্ৰীৱক সুধিলে. "হে বানৰ ৰজা! মই ৰাৱণক কি ক'মগৈ?"

সুগ্ৰীৱে শুকৰ জিজ্ঞাসাৰ উত্তৰত ৰাৱণক ক'বলৈ ক'লে:

"তুমি মোৰ মিত্ৰ নহয়, আৰু তোমাৰপৰা মই কোনো উপকাৰও গ্ৰহণ কৰা নাই। মোৰ পৰম মিত্ৰ ৰামচন্দ্ৰৰ তুমি ঘোৰ শত্ৰু। মোৰ শত্ৰু বালীৰ তুমি মিত্ৰ। এইদৰে, দুয়ো ফালৰেপৰাই তুমি মোৰ শত্ৰু। বালীৰ যেনেকৈ মৃত্যু হ'ল, তোমাৰো তেনেকৈয়েই মৃত্যু হ'ব। মই তোমাক, তোমাৰ পুত্ৰক, তোমাৰ ইষ্ট-মিত্ৰ সকলোকে জহন্নামলৈ পঠাম। মই বিশাল সৈন্যবাহিনীৰে সৈতে অতি শীঘ্ৰেই লংকা পামগৈ আৰু লংকা তচোনচো কৰিমগৈ। ৰামচন্দ্ৰৰ বাণৰপৰা তোমাক আনকি ইন্দ্ৰাদি দেৱতায়ো ৰক্ষা কৰিব নোৱাৰিব। সীতাক অপহৰণ কৰাটো কোনো বাহাদুৰিৰ কাম নহয়। ৰাম-লক্ষ্মণৰ অনুপস্থিতিৰ কালতহে তুমি এনে অপকৰ্ম কৰিছিলা। তেওঁলোকৰ হাতত তোমাৰ মৃত্যু সুনিশ্চিত।"

কিন্তু এই বাৰ্তা কঢ়িয়াই লৈ অংগদে শুকক যাবলৈ নিদিলে। অংগদে সুগ্ৰীৱক ক'লে, "ই দূত নহয়, ই ৰাৱণৰ গুপ্তচৰ হ'ব পাৰে, ই আমাৰ সৈন্যবাহিনীৰ লেখ লৈছে।"

শুকক বন্দী কৰিবলৈ সুগ্ৰীৱে বানৰসৈন্যক তৎক্ষণাৎ আজ্ঞা দিলে। বানৰসৈন্যই শুকক মুহূৰ্ততে বন্দী কৰিলে। শুক ছটফটাই থাকিল আৰু চিৎকাৰ

কৰি থাকিল। শুকে চিংকাৰ কৰি ক'লে, “উস্! মোৰ ডেউকা ইহঁতে ভাগি পেলালে, মোৰ চক্ষু উপাৰি পেলালে!”

শুকৰ এই কথা শুনি ৰামচন্দ্ৰ আগুৱাই আহিল, আৰু শুকক বানৰ সৈন্যৰ হাতৰপৰা মুক্তি দিলে।

তাৰ পাছত ৰামচন্দ্ৰই সমুদ্ৰলৈ প্ৰণাম কৰিলে আৰু কুশ-শয্যাত পুনৰ শুলে। ৰামচন্দ্ৰই তিনি দিন-তিনি নিশা সমুদ্ৰক ধ্যান কৰি অতিবাহিত কৰিলে। কিন্তু তথাপি সমুদ্ৰৰ দৰ্শন নিমিলিল।

তেতিয়া ৰামচন্দ্ৰ ক্ৰুদ্ধ হৈ উঠিল। তেওঁৰ চক্ষুদ্বয় ৰক্তবৰ্ণ হ'ল। তেওঁ লক্ষ্মণক ক'লে, “সমুদ্ৰ কিয় নাহিল? সমুদ্ৰৰ ইমানেই গৰ্ব হ'লনে? মই বাণেৰে সমুদ্ৰৰ সকলো প্ৰাণীক বধিম, সমুদ্ৰক শুকাই পেলাম। মোৰ তূণ তুৰন্তে লৈ আহাঁ।”

লক্ষ্মণে শ্ৰীৰামচন্দ্ৰৰ টোন আনি দিলে। ৰামচন্দ্ৰই ৰজ্ৰায়ুধ নামৰ বাণ সমুদ্ৰলৈ টোঁৱাই প্ৰয়োগ কৰিলে। এই মাৰাত্মক বাণ সমুদ্ৰৰ গভীৰলৈ যোৱাৰ লগে লগেই সমুদ্ৰৰ বুকুত উথল-পাথল ঢৌ উঠিল, সমুদ্ৰ অদ্ভুতভাবে ওফন্দি উঠিল আৰু ঢৌৰ লগত ধোঁৱাৰ কুণ্ডলী ওলাই থাকিল।

ৰামচন্দ্ৰই পুনৰ বাণ এৰিবলৈ ধৰোঁতেই লক্ষ্মণ ৰামচন্দ্ৰক বাধা দিলে আৰু কলে, “নেৰিবা, নেৰিবা— আৰু বাণ নেৰিবা। আৰু বাণ এৰিলে তিনিও লোক বিধ্বংস হৈ যাব।” এই বুলি কৈ, লক্ষ্মণে ৰামচন্দ্ৰৰ টোনত থাপ মাৰি ধৰিলে।

তথাপি সমুদ্ৰৰ দেখা-দেখি নাই!

তেতিয়া ৰামচন্দ্ৰই সমুদ্ৰক ক'লে, “হে সমুদ্ৰ! তোমাক মই বাণ এৰি শুকুৱাই খা খা কৰি পেলাম, সমুদ্ৰ শুচি মৰুভূমি হৈ যাবা। তুমি মোৰ শক্তি-সামৰ্থ্যৰ উমান ল'ব পৰা নাই। তোমাৰ এই অজ্ঞানতাইহে তোমাৰ গৰ্ভতে থকা দানৱৰ সৈতে কিজানি তোমাৰ লগত

যুগ যুগ জোৰা মিত্ৰতাৰ বান্ধ দিলে।

এই কথা কোৱাৰ অন্তত ৰামচন্দ্ৰই ব্ৰহ্মাস্ত্ৰ হাতত ল'লে, আৰু লগে লগে আকাশত মেঘে গাজিলে, পৰ্বত কঁপিবলৈ ধৰিলে, চাৰিওদিশক দিনতে এন্ধাৰে আবৰি ধৰিলে। আকাশৰপৰা তীব্ৰ গতিৰে বায়ু বলিবলৈ ধৰিলে, জগতৰ সকলো প্ৰাণীয়ে আৰ্তনাদ কৰিবলৈ ধৰিলে। সমুদ্ৰ এযোজন হুঁহকি গ'ল।

এনেহেন দৃশ্য দেখি ৰামচন্দ্ৰই অতঃপৰ অস্ত্ৰ সংবৰণ কৰিলে।

এনেতে সমুদ্ৰ-জলত সমুদ্ৰক দেখা গ'ল। সমুদ্ৰৰ মুখমণ্ডল তেতিয়া বজ্ৰ-কঠিন। সমুদ্ৰ স্বৰ্ণপুষ্পৰে অলংকৃত হৈ আছিল। তেওঁৰ সৈতে গংগা, সিন্ধু আদি নদী-কন্যা সকলকো দেখা গ'ল।

সমুদ্ৰই ৰামচন্দ্ৰৰ ওচৰত হাত যোৰ কৰি ক'লে, "হে ৰামচন্দ্ৰ! গভীৰতা আৰু গাম্ভীৰ্য্য মোৰ সহজ-স্বাভাৱিক গুণ। মই তোমাৰ কাৰণে যি কৰিব পাৰোঁ—কৰিম। কিন্তু তোমাৰ সৈন্য বাহিনীয়ে মোক অতিক্ৰম কৰোঁতে কোনো সাগৰ-প্ৰাণীৰ অনিষ্ট নোহোৱালৈ লক্ষ্য ৰাখিবা।"

"তেনেহ'লে—মই যি বাণ নিক্ষেপ কৰিম বুলি প্ৰস্তুত হৈছোঁ, সেই বাণ এতিয়া মই ক'লৈনো এৰিম?" ৰামচন্দ্ৰই সমুদ্ৰক সুধিলে।

"সোৱা—উত্তৰ দিশত আভীৰ নামৰ এক মহাপাপী আছে, তুমি তালৈ বাণ এৰি তাক ধ্বংস কৰি দিয়া।" সমুদ্ৰই ৰামচন্দ্ৰক ক'লে।

তাৰ পাছত সমুদ্ৰই পুনৰ ৰামচন্দ্ৰক ক'লে, "নল নামৰ বানৰ হ'ল বিশ্বকৰ্মাৰ পুত্ৰ। নলে সাগৰৰ ওপৰত সেতু নিৰ্মাণ কৰিব পাৰিব। সেই সেতু যাতে ডুবি নাযায়, মই তাৰ বাবে ব্যৱস্থা ল'ম।" এই বুলি কৈ সমুদ্ৰ দপাট্‌কৈ অদৃশ্য হৈ পৰিল।

প্ৰশ্নৰ পেঁচ

চন্দনগিৰি দেশৰ সুগন্ধগিৰি অঞ্চলৰ কাষেদি বৈ যোৱা সাৰদা-নৈৰপৰা তিনি ক্ৰোশ দূৰস্থিত গৌৰীপুৰ নামৰ সৰু গাঁও এখন আছিল। সেই গাঁৱত আছিল খ্যাতিমান পণ্ডিত তথা কবি ৰামশৰ্মা। কিন্তু এগৰাকী খ্যাতিমান পণ্ডিত হোৱা সত্ত্বেও ৰামশৰ্মাই তেওঁৰ চাৰি হালিচামান মাটিত খেতি-বাতি কৰি জীৱিকা নিৰ্বাহ কৰিছিল।

ৰামশৰ্মাৰ এগৰাকী আত্মীয় আছিল পণ্ডিত গৌৰীনাথ শাস্ত্ৰী। তেওঁ আছিল ৰজাৰ সভাপণ্ডিত। গৌৰীনাথ শাস্ত্ৰীও ওখ খাপৰ পণ্ডিত আৰু কবি আছিল, কিন্তু তেওঁ আছিল অতি অহংকাৰী।

এবাৰ ৰামশৰ্মাৰ নৱজাতা কন্যাসন্তানৰ নামকৰণ উপলক্ষ্যে গৌৰীনাথ সপৰিয়ালে ৰামশৰ্মাৰ ঘৰলৈ আহিল। গৌৰীনাথৰ পত্নীয়ে ক'লে যে এইজনী ছোৱালী ডাঙৰ-দীঘল হৈ উঠাৰ পাছত তেওঁ এইজনীক বোৱাৰী কৰি ঘৰলৈ লৈ যাব।

গৌৰীনাথে ৰামশৰ্মাৰ কিঞ্চিত দৰিদ্ৰ অৱস্থালৈ মন কৰি ৰামশৰ্মাক ক'লে, "তুমি ৰাজধানীলৈ যোৱা আৰু মহাৰাজক কোৱাগৈ যে—তুমি হ'লা গৌৰীনাথ শাস্ত্ৰীৰ আত্মীয়। বছ, ৰাজ দৰবাৰত চাকৰি পাই যাবা, আৰু আয়মেৰে জীৱন নিৰ্বাহ কৰি থাকিবা।"

ৰামশৰ্মাই ভুৰু কোঁচাই কৈ উঠিল, "ৰজাৰ চাকৰি কিয়নো মোক লাগিছে? কাব্য বেচি দন টানি নাখালোঁৱেইবা! তাতকৈ খেতি কৰি পেট প্ৰৱৰ্তালেনো কি বেয়া? বৰঞ্চ সম্মানজনক।"

মল্লিকা চৌধুৰী



এই কথাতে লাগিল কেণা। দুয়োখন পৰিয়ালৰ মাজত অহা-যোৰা বন্ধ হ'ল।

চাওঁতে চাওঁতে এইদৰে পোন্ধৰ বছৰ পাৰ হৈ গ'ল।

তাৰ পাছত এদিন গৌৰীপুৰৰ সমীপস্থ কল্যাণদুৰ্গ নামৰ গাঁৱত পণ্ডিত ৰামশৰ্মাৰ আত্মীয় এজনৰ ঘৰত বিয়া পতা হ'ল। সেই বিয়াত নিমন্ত্ৰিত হৈ পণ্ডিত গৌৰীনাথ পৰিবাৰ পাৰ্বতী তালৈ আহিল। ৰামশৰ্মাই পাৰ্বতীক কুশল-প্ৰশ্ন সুধিলে। কিন্তু গৌৰীনাথক তাত দেখা নাপাই গৌৰীনাথৰ বিষয়েও সোধ-পোছ কৰিলে।

পাৰ্বতীয়ে তেওঁৰ বিছ বছৰীয়া ল'ৰা মাধৱক ৰামশৰ্মাৰ সৈতে চিনাকি কৰালে।

মাধৱে নম্ৰতাৰে ৰামশৰ্মাক নমস্কাৰ কৰিলে। মাধৱৰ নম্ৰ কথা শুনি আৰু নম্ৰ আচৰণ দেখি ৰামশৰ্মাই ভাল পালে। ৰামশৰ্মাৰ সৈতে তেওঁৰ পৰিবাৰ আৰু ছোৱালীজনীও আহিছিল। ছোৱালীজনীৰ সৌন্দৰ্য্য আৰু নম্ৰ স্বভাৱত গৌৰীনাথ-পত্নী পাৰ্বতী মুগ্ধ হৈ পৰিল।

পাৰ্বতীয়ে ৰামশৰ্মাক ক'লে, "শৰ্মাদেউ, শৰ্মাদেউ, আপোনাৰ ছোৱালীজনীক দেখা পায়েই তাইক আমাৰ বোৱাৰী কৰি ল'বৰ মন গৈছে! আৰু—এই কামটি যদি হয়—তেনেহ'লে আমাৰ দুয়োখন পৰিয়ালৰ মাজত আগৰ সহজ সম্পৰ্কও ঘূৰি আহিব।—এই বিষয়ে আপোনাৰ মত কি?"

পাৰ্বতীৰ কথা শুনি ৰামশৰ্মা আনন্দিত হ'ল। ৰামশৰ্মাই ক'লে, "যি কথা আমিহে ক'ব লাগিছিল, সেই কথা তোমাৰ মুখৰপৰা ওলাল। এই শুভকাৰ্য্য যদি সঁচাকৈয়েই সম্পন্ন হয়, আমাৰ আনন্দৰ সীমা নোহোৱা হ'ব। কিন্তু—গৌৰীনাথে মানি ল'বনে?

পাৰ্বতীয়ে স্বস্তিৰ উশাহ লৈ ক'লে, "সেই চিন্তা মোৰ। আপুনি এটা শুভ দিন-খেণ চাই আমাৰ ঘৰলৈ আহক,

তাতেই চব কথা খাটাং কৰা হ'ব।"

কেইদিনমানৰ পাছত, ছোৱালীজনীৰ বিয়াৰ বাবে কথা পাতাৰ মনেৰে ৰামশৰ্মাই ৰাজধানীলৈ বুলি খোজ ল'লে।

গৌৰীনাথক পাৰ্বতীয়ে কথাটো কোৱাত গৌৰীনাথে পাৰ্বতীক চাফ চাফ কৈ দিছিল যে — ৰামশৰ্মাই তেওঁৰ ছোৱালীজনীৰ বিয়াৰ বাবে কথা পাতিবলৈ আহিব পাৰে, কিন্তু ছোৱালীজনীক চাই-চিঁতি মই ভাল পালেহে কথা হ'ম, হয়-নহয় যি হয় ক'ম।"

যি কি নহওক, ৰামশৰ্মা যেতিয়া গৌৰীনাথৰ ঘৰলৈ আহিল এই বিষয়ে কথা হ'বলৈ, তেতিয়া গৌৰীনাথে কিছু আওপকীয়াকৈ সুধিলে, "আচ্ছা—তোমাৰ ছোৱালীয়ে পঢ়া-লিখা কিমান কৰিলে?"

গৌৰীনাথৰ কথাত আওহেলাৰ ভাব লক্ষ্য কৰি ৰামশৰ্মায়ো তল-গৰীয়াকৈ ক'লে, "তাইৰ শিক্ষা-পঢ়াৰ মই মুখেৰে নোকোৱাই ভাল। ইমানলৈকে ক'ব পাৰোঁ যে—তাই শাৰদা নামটো সাৰ্থকেই।"

ৰামশৰ্মাৰ উত্তৰ শুনি গৌৰীনাথে আগৰদৰেই উপেক্ষাৰে ক'লে, "কাউৰীৰ পোৱালিক কাউৰীয়ে ভাল পাবই, মইনো বাৰণ কৰিবলৈ কোন? কিন্তু আমাৰ ঘৰৰ বোৱাৰী হ'বলগাজনীৰ পৰীক্ষা মই আগতীয়াকৈ ল'মেই।"

গৌৰীনাথৰ কথা শুনি ৰামশৰ্মাৰ



আশাৰ মূৰত ছাই পৰিল। তথাপি— যদিহে ঈশ্বৰে মোৰ বোলেই—সেই আশাৰে কইনা চাবলৈ গৌৰীনাথক সপৰিয়ালে নিমন্ত্ৰণ কৰিলে।

সেই শুভ দিন আহিল, আৰু ৰামশৰ্মাই গৰুৰ গাড়ী এখন পঠাই দিলে গৌৰীনাথক সপৰিয়ালে নৈৰপাৰৰপৰা ঘৰলৈ লৈ অহাৰ বাবে। গাড়ীৰ লগত অৰ্জুন নামৰ দহ-বছৰীয়া চাকৰ ল'ৰা এটাকো পঠালে।

অৰ্জুন বেছ চালাক-চতুৰ ল'ৰা, কামতো কথাতো। গৌৰীনাথে যেতিয়া তেওঁৰ পত্নী-পুত্ৰৰে সৈতে নাৱৰপৰা নামি আহিল, তেতিয়াৰেপৰাই অৰ্জুনে তেওঁলোকৰ লাম-লাকটুখিনি কঢ়িয়াই লৈ যোৱাৰ লগে লগে নানান কথাৰ বকলা মেলিছিল। গৰুৰ গাড়ীত উঠি, গাড়ীৰ পিছফালে বহি থকা চাকৰ ল'ৰা অৰ্জুনৰ সৈতে গৌৰীনাথে বিস্তৰ কথা পাতি থাকিল।

হঠাৎ গৌৰীনাথক এটা আমৰলি পৰুৱাই কামুৰিলে, আৰু গৌৰীনাথে 'অস্!' কৈ উঠি পৰুৱাটোক চেপি-পিহি মাৰি পেলালে। তাৰ পাছত অৰ্জুনলৈ চাই সুধিলে, "আচ্ছা—অৰ্জুন, তোমাৰ মালিকৰ ছোৱালীজনীয়ে কিমানলৈ পঢ়া-লিখা কৰিলে—তুমি জানানে?"

এই প্ৰশ্ন শুনি দহবছৰীয়া অৰ্জুনে হো হোৱাই হাঁহি উঠি ক'লে, "মোক বাইদেৱে পঢ়ায়। যদিও বাইদেৱে কিমানলৈ পঢ়িলে বা মুঠেও পঢ়া-লিখা কৰিলেনে নকৰিলে—তাকো মই একে-বাৰেই ক'ব নোৱাৰোঁ।"

"আচ্ছা! তুমি তেন্তে তোমাৰ বাইদেউৰ শিষ্য! তুমিনো কি পঢ়িলা আজিপৰ্য্যে?" গৌৰীনাথে সুধিলে।

"সেইবোৰ নাজানো। পিছে—আপোনাক সহজেই মই প্ৰশ্নৰে কাবু কৰিব পাৰোঁ।" অৰ্জুনে ক'লে।

"বাঃ—বাঃ! তুমিও মোৰ পাণ্ডিত্যৰ

পৰীক্ষা ল'বা তেন্তে ! ঠিক আছে, সোধা । কিন্তু—এটা চৰ্তত ।" শাস্ত্ৰীয়ে ক'লে ।

"কি চৰ্ত ? কওক—হুজুৰ !"

"তুমি যদি মোক প্ৰশ্নেৰে হৰুৱাব পাৰা, মই মানি ল'ম যে—তোমাৰ বাইদেৱেই মোক হৰুৱালে ! আৰু—তুমি যদি হাৰি যোৱা 'তেনেহ'লে তোমাৰ বাইদেৱেই হাৰিলে বুলি ভাবি ল'ম। ঠিক আছে ?" গৌৰীনাথে এই সক ল'ৰাটোক সুধিলে ।

এইবোৰ কথা শুনি গাড়ীত বহি থকা পাৰ্বতী আৰু মাধৱ কিছু দমি গ'ল। দুয়ো দুয়োলৈ চালে। ইতিমধ্যে গৌৰীনাথে অৰ্জুনক ক'লে, "আচ্ছা—তোমাৰ প্ৰশ্ন সোধা ।"

"মই আপোনাক তিনিটা প্ৰশ্ন সুধিম । আপুনি যদি এই প্ৰশ্ন তিনিটাৰ উত্তৰ দিব নোৱাৰে সঠিককৈ, পৰাজয় মানি ল'ব লাগিব ।" অৰ্জুনে ক'লে ।

গৌৰীনাথে সম্মতিসূচকভাৱে মূৰ দুপিয়ালে। অৰ্জুনে তাৰ প্ৰথম প্ৰশ্ন সুধিলে, "কওকচোন হুজুৰ ! পিপৰাৰ ৰাক্ষস কোন ?"

শুনি গৌৰীনাথে ভেবাচেকা খাই ক'লে, "এইটোও কোনো প্ৰশ্ন হ'লনে বাৰু ? এনেবোৰ কথা সস্তীয়া কিতাপতহে থাকে। এইবোৰ প্ৰশ্ন সোধাৰ কোনো অৰ্থ নাই ।"



গৌৰীনাথে ল'ৰাটোৰ বুদ্ধিৰ প্ৰশংসা কৰি ক'লে, "ঠিক আছে। হাৰিলোঁ। এতিয়া তোমাৰ দ্বিতীয় প্ৰশ্ন সোধা।"

"মানুহক কি বস্তুক আটাইতকৈ বেছিকৈ আৱশ্যক হয়?" অৰ্জুনে সুধিলে।

"জ্ঞান আৰু পাণ্ডিত্য।"

এই উত্তৰ শুনি অৰ্জুনে হাঁহি মাৰি ক'লে, "নহয়, হুজুৰ! মানুহক আটাইতকৈ বেছিকৈ আৱশ্যক হয়, সাৱধনতা আৰু ব্যৱহাৰ-কুশলতা। মই কেৱল এই দুটা বস্তুৰ সহায়ত প্ৰথম প্ৰশ্নত আৰু এই দ্বিতীয় প্ৰশ্নতো জিকিলোঁ—আপুনি ইমান জ্ঞানী আৰু পণ্ডিত হোৱা সত্বেও জিকিলোঁ—নহয়নে?

গৌৰীনাথে 'হয়' বুলি ক'বলগাত পৰিল। অৰ্জুনৰ কথাত তেওঁৰ মনৰ অহংকাৰ-আত্মগৰিমাত আঘাত লাগিল।

"আচ্ছা—এতিয়া মোৰ তৃতীয় প্ৰশ্ন। বোৱাৰী এজনীয়ে শহুৰ-শাহুৱেকৰ কোন কথাত আটাইতকৈ মনোযোগ দিব লাগে?" অৰ্জুনে সুধিলে।

"ভয়-ভক্তিলৈ।" গৌৰীনাথে ক'লে।

"নহয়, আটাইতকৈ মনোযোগ—মৰম-চেনেহতহে দিব লাগে। শহুৰ-শাহুৱেক যদি ভাল হয়, বোৱাৰীৰ মনত ভক্তি ভাব এনেয়ে আহিব। ভয় কৰাৰ

অৰ্জুনে ক'লে, "হুজুৰ! এই প্ৰশ্ন কোনো কিতাপৰপৰা লোৱা হোৱা নাই। আপুনি অলপ ভাবি চাওক, নিশ্চয় ক'ব পাৰিব। যদি একোপধ্যেও ক'ব নোৱাৰে —মই ক'ম বাৰু।"

অৱশেষত গৌৰীনাথে বাধ্যত পৰি ক'লে, "নোৱাৰিলোঁ মই, তুমি উত্তৰটো কোৱাচোন শুনো—।"

তেতিয়া অৰ্জুনে নিজৰ প্ৰশ্নৰ উত্তৰ নিজেই দিলে, "পিপৰাৰ ৰাক্ষস—আন কোনো নহয়—মানুহ। আঙুলিৰ টিপাৰেই পিপৰাক মানুহে মাৰি পেলায়! তেনেহ'লে মানুহেই পিপৰাৰ ৰাক্ষস নহ'লনে?"

কোনো প্রশ্নয়েই নুঠে। কিন্তু সদায় মৰম-চেনেহৰ মাজত ৰাখিলে সেই বোৱাৰীকো তেওঁলোকে আদৰ—সাদৰ কৰিব। গতিকে—বোৱাৰীহঁতে মৰম-চেনেহলৈহে আটাইতকৈ মনোযোগী হ'ব লাগে।"

ইমান সৰু ল'ৰা এটাৰ যুক্তি শুনি গৌৰীনাথ অবাক আৰু হতবাক হ'ল। মুহূৰ্তকৈ হাঁহি মাৰি গৌৰীনাথে অৰ্জুনক ক'লে, "এইবোৰ প্ৰশ্ন—তোমাক তোমাৰ বাইদেউৱায়েই শিকাই পঠালে, নহয়?"

শুনি অৰ্জুন আচৰিত হ'ল। অৰ্জুনে ক'লে, "নহয় হুজুৰ! বাইদেৱে মোক মাত্ৰ শিকালে যে—কেনেকৈ ভাবিব লাগে, চাব লাগে, আৰু পৰীক্ষা কৰিব লাগে। বাইদেৱে কয় যে—মানুহে গভীৰভাৱে ভাবিলেই সকলো কৈ দিব পাৰে। বাইদেৱে কৈছিল যে এই বিয়া-টিয়া নহ'ব। শুনি মই নিজেই আপোনাক লৈ যাবলৈ আহিলোঁ আৰু আপোনাক হৰুৱাই অদৃশ্য অনাজৰীৱে বান্ধিবলৈ চেষ্টা কৰি চালোঁ। এইবোৰত বাইদেউৰ হাত একেবাৰে নাই।"

গৰুৰ গাড়ীখনে যেতিয়া ৰামশৰ্মাৰ ঘৰৰ দুৱাৰমুখ পালেহি তেতিয়া ৰামশৰ্মাই ঘৰৰপৰা ওলাই আহি গৌৰীনাথক আদৰি লৈ গ'ল। খোৱা-বোৱাৰ অন্তত ৰামশৰ্মাই গৌৰীনাথক সুধিলে, "ছোৱালীজনীক—এতিয়া মাতোঁনে?"

"নালাগে মাতিব।" গৌৰীনাথে হাঁহি মাৰি ক'লে, "তাইৰ শিষ্য অৰ্জুনেই যিস্থলত প্ৰশ্নৰ পেঁচত পেলাই মোক হৰুৱালে—স্বয়ং ছোৱালীজনীক সুধি আৰু চেঁচেৰাত পৰাৰ মন নাই। দেখা কথাত পাট-মংগল চোৱাত লাভ কি? তাতকৈ—ছোৱালীজনাক বোৱাৰী হিচাপে লোৱাৰ স্বীকৃতি দি নিষ্কৃতি লভায়েই ভাল।"

গৌৰীনাথৰ কথাত ৰং পাই সকলোটিয়েই একেলগে হাঁহি উঠিল।



বগাহাতীৰ বঢ়া-কথা

তেতিয়াৰ কালত মানদেশৰ এখন সৰু ৰাজ্য আছিল হোলাং নামৰ ৰজাৰ অধীন। সেই ৰাজ্যৰ ৰাজধানীৰ এচুকত কাং য়ু নামৰ ধোবা এজনে লেতেৰাবো লেতেৰা কাপোৰ-কানি মুকুতাহেন চাফা কৰিছিল।

এদিন ৰাতিপুৱা মাটিৰ বাচন-বৰ্তন বনোৱা কুমাৰ এজন ধোবা কাং য়ুৰ কাষ চাপিল। কুমাৰ ৰাংছানে ধোবা কাংয়ু-ক ক'লে; "দেশৰ ৰজাই মোক মাতি পঠাইছে। মহাৰাণীৰ হেনো বেমাৰ, আৰু তেওঁৰ কাৰণে দৰৱ বনাবলৈ এক বিশেষ ধৰণৰ মাটিৰ পাত্ৰ এটা লাগিব।"

"তুমি কিমান যে ভাগ্যৱান!"

"কথাটো—হওতে সঁচা। পিছে—দেশৰ ৰজাক দৰ্শন কৰাত লেঠাও কম নহয়। এয়া ধৰা—চাফাতকৈও চাফা কাপোৰ-কানি পিন্ধি ওলাবগৈ লাগিব। এই মোনাত পোছাক এযোৰ আছে, কালিলৈ ৰাতিপুৱাতে লাগে মোক।" ৰাং ছানে কাং য়ুক ক'লে।

দুপৰীয়াৰ পৰতে ধোবা কাংয়ুৱে কুমাৰ ৰংছানৰ পোছাকযোৰ গৰম পানীত দিলে। লগে লগে পোছাকযোৰৰ নীলা বৰণ গুচি কিবা আন এক বৰণ ল'লে।

পোছাকযোৰৰ এই অৱস্থাৰ কথা গম পাই, ৰাং ছানে কাংয়ু-ক মনে-খোৱা মতে গালি-ছালি পাৰি, পইচা-পাতি একো নিদিয়াকৈ পোছাকযোৰ লৈ গুচি গ'ল।

কুমাৰ যেতিয়া মহাৰাজৰ কাষ চাপিল, মহাৰাজে কুমাৰলৈ প্ৰশংসাৰ দৃষ্টিৰে চাই ক'লে, "বাঃ! সুন্দৰ! তোমাৰ পোছাক চামেলী ফুলৰ পাহিযেন চাফা! এই

'মিয়ানমাৰৰ (মানদেশ) লোক-কথা'

ধোবানো কোন ? কি নাম তাৰ ?”

কুমাৰ ৰাং ছানে মহাৰাজক ক'লে, “মহাৰাজ ! আমাৰ ৰাজধানীৰ পশ্চিম চুকত কাং য়ু নামৰ ধোবা এজন আছে। সি যিকোনো বস্তু, আনকি গাৰ ছালো বগা কৰি দিব পাৰে। আপুনি বগা হাতী বিচাৰি ফুৰিছে যে--সিয়েই দেখোন আপোনাৰ হাতীশালৰ হাতী এটাক বগা কৰি দিব পাৰে।”

ৰজাৰ চিপাহীয়ে তৎক্ষণাৎ ধোবা কাং য়ু-ক লৈ আহিলগৈ। আহিয়েই কাং য়ু-ৱে বুজি পালে যে তাক বিপাওত পেলাবলৈহে কুমাৰ ৰাং ছানে এই পাং পাতিলে। কিন্তু ৰজাই তো এতিয়া সঁচা ক'লেও মিছা বুলি ভাবিব। গতিকে কাং য়ু-ৱে ক'লে, “মহাৰাজ, এটা হাতীক বগা কৰাটো তেনেই সামান্য কথা, আপোনাৰ হাতী শালৰ আটাইবোৰকে বগা কৰিব পাৰোঁ। কিন্তু — কাপোৰ পাত্ৰত সিজোৱাৰ দৰে—হাতীবোঁ জোখাৰে মজবুত চাই পাত্ৰ বনাবলৈ কুমাৰভায়াক কওক।”

কুমাৰ ৰাং ছান পৰিল মহা ফাপৰত। তথাপি—ৰজাৰ আদেশ তো পালিব লাগিবই। গতিকে—প্ৰকাণ্ড পাত্ৰ বনাই ধোৱাক দিল। কিন্তু সেই পাত্ৰত হাতীক উঠোৱাৰ লগে লগেই পাত্ৰ ভাগি টুকুৰা-



টুকুৰা হৈ পৰিল।

ধোবা কাংয়ু-ৱে ৰজাক দেখুৱালেগৈ সেই মাটিৰ পাত্ৰ। ৰজাই কুমাৰক ক'লে যে—ভালৰো ভাল মাটিৰ পাত্ৰ বনাই নিদিলে তাৰ মূৰ বেপি বেপি কটা হ'ব।

ৰজাই ক'লে কুমাৰক, “তোমাৰ বাচন-বৰ্তনৰ নাম আছে। সেই নামৰ এই কাম ! কালিলৈ ৰাতি পুৱাবৰ লগে লগেই হাতী-উঠা-মাটিৰ পত্ৰ লাগে। আৰু নহ'লে লাগে তোমাৰ মুণ্ড। বুজিছা ? খবৰ—দাৰ !

ধোবাৰ পেঁচত পৰি কুমাৰ ককবকাই থাকিল। আৰু—আন একো উপায় নাপাই ৰাজ্যৰ সীমা পাৰ হৈ পলাল।

এই খবৰ ধোবাৰ মুখে পাই ৰজাই খাপৰপৰা তৰোৱাল উলিয়াই আনি ধোবাটোক ক'লে, "তুমিও তেনেকৈ পলাবানে কি ?"

ধোবা কাং য়ু-ৰে মহাৰাজৰ আগত দীঘল দি পৰি প্ৰণাম কৰি ক'লে, "প্ৰভু ! হাতীটোক মোৰ ঘৰলৈ পঠাই দিয়ক। কালিলৈ এইখিনি সময়ত আপুনি নিজেই এই কথা ভাবি আচৰিত হ'ব যে—এই হাতীটোৱেই আপোনাৰ হাতী হয়নে ইন্দ্ৰৰ ঐৰাৱত হয় !"

সেই নিশা কাংয়ু-ৰে গেটেই হাতীটো গাত ডাঠকৈ চূণৰ লেও দিলে। একে একে পাঁচ বাৰ চূণৰ লেও দিয়াত হাতীটো প্ৰকৃততেই দেখাত ইন্দ্ৰৰ বগা ঐৰাৱতহেন হৈ পৰিল। ৰাতি পুৱাল, বগা হাতী লগত লৈ ধোবাও ওলাল।

বগা হাতী পাই ৰজাৰ বৰ ফুৰ্তি হ'ল। তেওঁ ধোবা কাং য়ু-ক শলগাৰ উপৰিও এহেজাৰ সোণৰ মুদ্ৰা আৰু লগতে ঘোঁৰা এটাও দিলে।

সোণৰ মুদ্ৰাখিনিৰে ঘৰ পায়েই ধোবা কাং য়ু-ৰে যিমান যি পাৰিলে লগত লৈ ঘৰ এৰি ৰাজ্যৰ সীমা এৰি ঘোঁৰাত উঠি ঘিটিং মাৰি ৰাজ্যৰ সীমাত থকা নৈৰ পাৰ পালেগৈ। তেতিয়া নৈত ফটা ছিগা কাপোৰ পিন্ধি নদীয়াল এজনে মাছ মাৰি আছিল। কিন্তু এই নদীয়ালৰ মানুহজনক ধোবা কাং য়ু-ৰে চিনি পালে আৰু তাক ক'লে, "হাৰে ? তুমিহে ! মোক বিপাঙত পেলাই তুমি এতিয়া কুমাৰ গুচি মছ-মৰীয়াহে হ'লানেহি ?"

কুমাৰ ৰাং ছানে সুধিলে, "এই ঘোঁৰাটো ক'ত পালা ?—"

ধোবাই সকলো কথা ক'লে। পাছত পুনৰ ধোবায়েই কুমাৰক ক'লে, "ব'লা, আমি এই নৈ পাৰ হৈ আন ক'ৰবালৈ গৈ দুজন প্ৰকৃত বন্ধুৰ দৰে জীৱন কটাওঁগৈ।"



দেখা-যম !

দুনীয়াখনত মহৰ কামোৰৰ সোৱাদ নোলোৱা নিশ্চয় কোনো নাই। এই নিচেই সৰু কিন্তু ডাঙৰ দেখা-যমহেন প্ৰাণীটি শীতলতম ছাইবিৰিয়া, কেনাডা, আনকি উত্তৰমেৰুতো পৰিলক্ষিত। আকৌ দুৰন্ত গৰম আৰু জাগন ধৰা বৰষুণ দিয়া উষ্ণবলয়ত তো ইহঁতৰে ৰাজত্ব! মহ হ'ল পৰুৱ'-প্ৰজাতিৰ মাজত ডাকল !

পোক-পতংগৰ পৃথিৱীত !



পৃথিৱীত কমেও ১০,০০,০০০ প্ৰজাতিৰ প্ৰাণী তথা পোক-পতংগ পঞ্জীবদ্ধ কৰা হৈছে। ইয়াৰ মাজত ৮,০০,০০০ বিধৰ হ'ল পোক-পতংগ। এই কীট-পতংগইঁতৰ নামবোৰ জানিবলৈ হ'লে সাধাৰণ কিতাপৰ পৃষ্ঠাৰ আকাৰৰ কমেও ৬০০০ পৃষ্ঠাৰ কিতাপ এখন পঢ়িব লাগিব। আৰু সেইখন কিতাপ পঢ়া শেষ হওঁতে ইহঁতৰ সংখ্যা এহেজাৰ গুণে বাঢ়িব !



কুকুৰা-পুৰাণ !

কথাতে বোলে—'উমনি দি পোৱালি জগোৱাৰ আগতেই কুকুৰা-পোৱালি গন্তি কৰা'। যি কি নহওক—কোনোবাই যদি জগোৱাৰ পাছত গন্তি কৰি চায় ? তেওঁ পৃথিৱীত প্ৰতিজন মানুহৰ বাবে এটিকৈ কুকুৰা-পোৱালি দেখা পাব। ইহঁতে কণীৰ-পৰা জগোঁতে মাত্ৰ আটচল্লিছ ঘণ্টা সময় লয় !

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ মে' সংখ্যাত প্ৰকাশিত হ'ব ।

T. C. Jain

S. B. Prasad

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে মিল থাকিব লাগিব। ১৯৯২ চনৰ মাৰ্চ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯২ চনৰ জানুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

[অনিবাৰ্য্য কাৰণত এই সংখ্যাৰ পুৰস্কাৰ স্থগিত থাকিল।]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. Place of Publication	'CHANDAMAMA BUILDINGS' 188, N.S.K. Salai Vadapalani, Madras-600 026
2. Periodicity of Publication	MONTHLY Ist of each calender month
3. Printer's Name	B.V. REDDI
Nationality	INDIAN
Address	Prasad Process Private Limited 188, N.S.K. Salai Vadapalani, Madras-600 026
4. Publisher's Name	B.VISWANATHA REDDI
Nationality	INDIAN
Address	Chandamama Publications 188, N.S.K. Salai Vadapalani, Madras-600 026
5. Editor's Name	B.NAGI REDDI
Nationality	INDIAN
Address	'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026
6. Name and Address of individuals who own the paper	CHANDAMAMA PUBLICATIONS PARTNERS: 1. Sri B. VENKATRAMA REDDY 2. Sri B.V. NARESH REDDY 3. Sri B.V. SANJAY REDDY 4. Sri B.V. SHARATH REDDY 5. Smt. B. PADMAVATHI 6. Sri B.N. RAJESH REDDY 7. Smt. B. VASUNDHARA 8. Kum. B.L. ARCHANA 9. Kum. B.L. ARADHANA(Minor) (Minor admitted to the benefits of Partnership) 'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026

I, B Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

B. VISWANATHA REDDI
Signature of the Publisher

2nd March 1992

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক ।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 216.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 216.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যান মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপাণানি মাদ্ৰাজ-৬০০-০২৬

FREE!
BUNNY TEETH
INSIDE EVERY 100 GMS
POUCH OF COOKIES
মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass